সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

ৰঙিলী বাৰ্ত্তা

৩০ বছৰ,৫১ সংখ্যা, ৬ কাতি, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 51 Date Of Publication - 22 December 2024 Rs.10.00/-

গণশিল্পী সূৰ্য দাস আৰু নাই

ৰঙিলী বাৰ্ত্তাসেৱা- কেতিয়াও উভতি নহাৰ বাটেৰে গ'লগৈ গণশিল্পী সূৰ্য দাস। অসমীয়া সংগীত জগতৰ বিশিষ্ট শিল্পীগৰাকীয়ে আজি জীৱন নাটৰ মেলানি মাগে। জাতীয়তাবাদী গীতেৰে শ্ৰোতাৰ হৃদয়ত এক সুকীয়া আসন দখল কৰা মানৱদৰদী শিল্পীগৰাকীয়ে হঠাতে হৃদৰোগত আক্ৰান্ত হৈ মৰিগাঁও অসামৰিক চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। আজীৱন বৈপ্লৱিক চেতনাৰে

(দহ পৃষ্ঠাত চাওক)

ডাউন টাউন বিশ্ববিদ্যালয়ৰ উদ্যোগত নৰ্থ-ইষ্ট এডুকেটৰ কনক্লেভ সন্মিলন

ৰঙিলী বাৰ্ত্তাসেৱা- ডাউন টাউন বিশ্ববিদ্যালয়ৰ উদ্যোগত গুৱাহাটীৰ গ্ৰীন উড ৰিজ'ৰ্টত নৰ্থ- ইষ্ট এডুকেটৰ কনক্লেভ শীৰ্ষক সন্মিলন অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন কৰি এই কনক্লেভ উদ্বোধন কৰে মুখ্য অতিথি হিচাপে উপস্থিত থকা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। নতুন শিক্ষানীতিৰ উত্তৰণৰ উদ্দেশ্য আগত ৰাখি এই কনক্লেভ আয়োজন কৰা বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ শলাগ লৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ভাষণত কয় যে শিক্ষা হৈছে প্ৰগতিশীল আৰু শক্তিশালী সমাজৰ ভেটি। পৰিৱৰ্তিত শিক্ষা ব্যৱস্থা সম্পৰ্কত শিক্ষক-শিক্ষাৰ্থীসকলক সমানে আগবঢ়াই নিয়াত সহায়ক হ'ব এই কনক্লেভ। ইয়ে আনকি বৰ্তমান শিক্ষা ব্যৱস্থাত দেখা দিয়া প্ৰত্যাহ্বানক নতুন দিক নিৰ্ণয় কৰিব বুলিও আশা

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান....

পৰচৰ্চাৰ আমেজ তথা ‘টাইম মেনেজ ’

দেৱাশীষ গোস্বামী,নগাওঁ

চৰ্চা বিভিন্ন প্ৰকাৰৰ। ৰুচি ভেদে চৰ্চাৰ বিষয় বস্তু ভিন্ন। সামাজিক প্ৰাণী হিচাপে আমাক চৰ্চা লাগিবই। জ্ঞান চৰ্চা, নৃত্য - গীতৰ চৰ্চা, খেল ধেমালীৰ চৰ্চা, ৰাজনৈতিক- অৰ্থনৈতিক আদি বিভিন্ন বিষয়ৰ ওপৰত চৰ্চা ইত্যাদি। চৰ্চা অবিহনে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি নহয়। কৰ্মক্ষেত্ৰতেই হওঁক বা বন্ধু-বান্ধৱ, আত্মীয় স্বজনৰ লগত আড্ডা মৰাৰ সময়তেই হওঁক, বিভিন্ন অনুষ্ঠান আদিত সমবেত হওঁতে লগ পোৱা চিনাকী, অচিনাকী বিভিন্ন জনৰ লগত ৰুচি ভেদে ভিন ভিন বিষয় বস্তুৰ ওপৰত ৰসালৰ পৰা গম্ভীৰ চৰ্চা হোৱা দেখা যায়। আমাৰ সমাজত ধনাত্মক, ঋণাত্মক দুয়োপ্ৰকাৰৰ চৰ্চাই উপলব্ধ। ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হোৱাৰ দৰে ঋণাত্মক চৰ্চাৰ নেতিবাচক প্ৰভাৱ একমাত্ৰ ভুক্তভোগীয়েহে উপলব্ধি কৰিব পাৰে।

আমাৰ সমাজত বহুলভাবে প্ৰচলিত অতিকৈ আমোদজনক ঋণাত্মক এবিধ চৰ্চা হ'ল ‘পৰচৰ্চা’। জ্ঞান, নৃত্য-গীত, খেল- ধেমালী আদি বিভিন্ন ধনাত্মক চৰ্চাত কেতিয়াবা যদি অংশগ্ৰহণকাৰীৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা হয়, আমাৰ সকলোৰে অতি আমোদজনক, আসুৰিক তৃপ্তিৰে পুষ্ট পৰচৰ্চাৰ আমেজ যেতিয়া তুংগত উঠে, চিনাকী অচিনাকী বিভিন্নজনৰ ঠাত্তা সুচক, ঋণাত্মক মন্তব্যৰে ‘মেহফিল’ জমি উঠে।

এই একপ্ৰকাৰৰ নিচা, পৰচৰ্চাৰ আমেজ আমি সকলোৰে কিন্তু উপলব্ধি কৰিব নোৱাৰো। আমাৰ বিভিন্ন ব্যস্ততাৰ মাজতো পৰচৰ্চা, পৰনিন্দাৰ বাবে ‘টাইম মেনেজ’ কৰিব পৰা সকলেহে ভালদৰে বুজাব পাৰিব এইবিধ চৰ্চাৰ অন্তৰ্নিহীত আমেজ।

আমাৰ সমাজত পৰচৰ্চাৰ

(দহ পৃষ্ঠাত চাওক)

‘ইণ্ডিয়া ষ্টেট অৱ ফৰেষ্ট ৰিপৰ্ট ২০২৩’ প্ৰতিবেদনৰ মতে অসমত হ্ৰাস বনাঞ্চলৰ পৰিমাণ

ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীত কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে উন্মোচন কৰা ‘ইণ্ডিয়া ষ্টেট অৱ ফৰেষ্ট ৰিপৰ্ট ২০২৩’ শীৰ্ষক প্ৰতিবেদনত এক উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। প্ৰতিবেদনখনৰ মতে, ২০২১ চনৰ সৰ্বশেষ সমীক্ষাত অসমত বনাঞ্চলৰ পৰিমাণ আছিল ১৯, ৭৮৩৩৯ বৰ্গ কিলোমিটাৰ। পিছে ২০২৩ চনত ৰাজ্যৰ বনভূমি হ্ৰাস পাই হ'লগৈ ১৯, ৬৯৬৭৩ বৰ্গ কিলোমিটাৰ। সেয়েহে এই মুহূৰ্তত ৰাজ্যৰ মুঠ মাটিকালি ৭৮, ৪৩৮ বৰ্গ কিলোমিটাৰৰ ৩৪.২১ শতাংশ হৈছে বনাঞ্চল। লক্ষণীয়ভাৱে বিগত দুই বছৰত বনাঞ্চল হ্ৰাস পোৱা ৰাজ্যসমূহৰ তালিকাত তৃতীয় স্থানত আছে অসম। অসমতকৈ বনাঞ্চল অধিক হ্ৰাস পোৱা ৰাজ্য দুখন হৈছে তেলেংগানা

শিল্পী ধৰ্মেশ্বৰ নাথক নৃত্যাচাৰ্য যতীন গোস্বামী উৎকৰ্ষ বঁটা ২০২৩ প্ৰদান

ৰঙিলী বাৰ্ত্তাসেৱা- শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অসমৰ প্ৰসিদ্ধ ব্যাস ওজাপালি শিল্পী ধৰ্মেশ্বৰ নাথক ২০২৩ বৰ্ষৰ নৃত্যাচাৰ্য যতীন গোস্বামী উৎকৰ্ষ বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাই বঁটা প্ৰদান কৰে। এই অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে শংকৰী কৃষ্টি সমাজৰ কাৰ্যকৰী সভাপতি গোলাপ শইকীয়াই। যশস্বী অভিনেতা প্ৰাঞ্জল শইকীয়া, কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, শিল্পী ঘনকান্ত বৰবায়ন বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানটোত আদৰণী ভাষণ দিয়ে বঁটা প্ৰদান সমাজৰ সভাপতি কুঞ্জলতা গগৈয়ে। অভিনেত্ৰী সাগৰিকা গোস্বামী আৰু নীৰেন কাকতিয়ে ঘোষক হিচাপে উপস্থিত থকা অনুষ্ঠানটোত নৃত্যাংগনা-২০২৪ শীৰ্ষক কাৰ্যসূচীত ছাত্ৰ- ছাত্ৰীসকলে বালক কৃষ্ণৰ নৃত্য প্ৰদৰ্শনৰ লগতে কেইবাটাও সত্ৰীয়া আৰু ভক্তিমূলক গীতত নৃত্য প্ৰদৰ্শন কৰে। উল্লেখ্য যে এই বঁটাৰ লগত আছে যতীন গোস্বামী প্ৰতিচ্ছবি সম্বলিত এটা স্মাৰক, অংগবস্ত্ৰ, নগদ ধন আৰু এখন প্ৰশস্তি-পত্ৰ।

মৃদুল ইছলামৰ মৃত্যুৰ তদন্ত কৰিবলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৰা- ৰাজভৱনত প্ৰতিবাদ কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা কংগ্ৰেছ কৰ্মী মৃদুল ইছলামৰ মৃত্যুৰ তদন্ত কৰাৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ঘটনা সম্পৰ্কত তেওঁ ইতিমধ্যে আৰক্ষীক এফআইআৰ পঞ্জীয়ন কৰি বুধবাৰৰ ঘটনাৰ ভিডিঅ’ ৰেকৰ্ডিঙৰ পৰ্যালোচনাকে ধৰি ঘটনাৰ পুংখানুপুংখ তদন্ত আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখ্য যে বুধবাৰে কংগ্ৰেছ দলে ৰাজভৱন চলো এক কাৰ্যসূচী গ্ৰহণ কৰিছিল। সেই কাৰ্যসূচীত অংশগ্ৰহণকাৰী কংগ্ৰেছীসকলক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰিছিল। সেই কন্দুৱা গেছৰ প্ৰভাৱতে মৃদুল ইছলাম নামৰ কংগ্ৰেছ কৰ্মীজন মৃত্যুমুখত পৰে বুলি কংগ্ৰেছ দলে অভিযোগ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰক্ষীক এফআইআৰ পঞ্জীয়ন কৰি ঘটনাৰ ভিডিঅ’ ৰেকৰ্ডিঙৰ পৰ্যালোচনা কৰাকে ধৰি ঘটনাৰ পুংখানুপুংখ তদন্তৰ নিৰ্দেশ দিয়ে। ৰাজভৱনত কংগ্ৰেছে কৰা প্ৰতিবাদ সম্পৰ্কতো সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যপালৰ সাংবিধানিক পদমৰ্যাদা সদায় দলীয় ৰাজনীতিৰ ঊৰ্ধ্বত। কংগ্ৰেছ দলৰ নেতাসকলে আৰক্ষীৰ বেৰিকেড ভংগ কৰি ৰাজভৱনত বলপূৰ্বক প্ৰৱেশ কৰাৰ চেষ্টা চলাইছিল আৰু সন্মুখভাগত বিশৃংখলতাৰ চেষ্টা কৰিছিল।

উপৰহালী ৰাইজ গয়ৰহৰ নতুন মণিকুট নিৰ্মাণৰ আধাৰশিলা স্থাপন

ৰঙিলী বাৰ্ত্তাসেৰা- ১৩০ বছৰ গৰকা ঐতিহাসিক গোপাল গোঁসাই মণিকুট দক্ষিণ কামৰূপৰ এটা ঐতিহ্যপূৰ্ণ ধৰ্মীয় সাংস্কৃতিক প্ৰতিনিধিত্ব কৰা স্থল হিচাপে উপৰহালীৰ ৰাইজে স্বীকৃতি দি আহিছে। এইবেলি উপৰহালী ৰাইজ গয়ৰহ প্ৰচেষ্টাত তথা পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়াৰ তৎপৰতাত নতুনকৈ উপৰহালী ৰাইজ গয়ৰহৰ নতুন মণিকুট নিৰ্মাণৰ আধাৰশিলা যোৱা ১২ ডিচেম্বৰত স্থাপন কৰে সভাপতি অজিত চন্দ্ৰ ঠাকুৰীয়া, উপদেষ্টা গজিন ঠাকুৰীয়া, প্ৰদীপ কুমাৰ তালুকদাৰ আৰু স্থানীয় ৰাইজে। এই উপলক্ষে এখনি ৰাজহুৱা উদ্বোধনী সভা সভাপতি অজিত চন্দ্ৰ ঠাকুৰীয়াৰ সভাপতিত্ব অনুষ্ঠিত কৰা হয়। আদৰণি ভাষন ৰাখে পবিত্ৰ কুমাৰ তালুকদাৰে। উক্ত সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়াই ধৰ্মীয় চিন্তাধাৰাৰে এক গাম্ভীৰ্যপূৰ্ণ ভাষন ৰাখে আৰু মণিকুটও সোনকালে হোৱাৰ বাবে আশা ৰাখে। উক্ত অনুষ্ঠানত অঞ্চলটোৰ ভালে সংখ্যক ব্যক্তিয়ে আৰ্থিক সাহায্য দিবলৈ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সমূহ সাহায্য প্ৰদান কৰা ব্যক্তিসকলক উপৰহালী ৰাইজ গয়ৰহ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

“অস্কাৰতকৈও বেছি ‘মূল্যৱান’ আইদেউ সন্দিকৈ বঁটা”- অভিনেত্ৰী সীমা বিশ্বাস

ৰঙিলী বাৰ্ত্তাসেৰা- ‘মই লাভ কৰা মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈ বঁটাটি অস্কাৰতকৈও বেছি মূল্যৱান। এই বঁটাই মোৰ দায়িত্ব আৰু কৰ্তব্য আৰু দুগুণে বঢ়ালে।’ বোকাখাত নাট্য মন্দিৰত মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈ শিল্পী বঁটা গ্ৰহণ কৰি এই মন্তব্য আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসৰ। ১৭ ডিছেম্বৰত মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈৰ একবিংশতিতম স্মৃতি দিৱস উপলক্ষে বোকাখাত নাট্যমন্দিৰত বিশিষ্ট অতিথিৰ ভাষণত মৃণালিনী দেৱীয়ে কয় যে “আমিও একালত ৰক্ষণশীল সমাজৰ গ্ৰাসত পৰিছিলোঁ। পিতৃ ধৰ্ম পালন কৰি আমাকো ১১ বছৰ বয়সতে বিয়া দিয়া হৈছিল। আজি আৰু সেই দিন নাই। সমাজলৈ সংস্কাৰ আহিছে। তথাপিও এখন আদৰ্শ সমাজ গঢ়িবলৈ মহিলা সকলেই আগ ভাগ ল’ব লাগিব। আমাৰ চহকী সাংস্কৃতিক পাশ্চাত্য অপ সংস্কৃতিৰ গ্ৰাসত হেৰাবলৈ দিব নোৱাৰি।” এই গুৰুত্বপূৰ্ণ বক্তব্য ডাঙি ধৰে বিশিষ্ট লেখিকা, অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভানেত্ৰী মৃণালিনী দেৱীয়ে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত, বোকাখাত সন্ধানী লেখিকা সমাৰোহ সমিতিৰ আতিথ্যত, বোকাখাত নাট্য মন্দিৰৰ সহযোগত অনুষ্ঠিত মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈ সোঁৱৰণি শিল্পী বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰি মৃণালিনী দেৱীয়ে আৰু কয় যে, এতিয়া সকলো সজাগ হোৱা প্ৰয়োজন। গুৰুজনাৰ অপূৰ্ব সৃষ্টি ৰাজিক আমি বিশ্ব দৰবাৰলৈ লৈ যাব লাগিব। ৰক্ষণশীল সমাজ খনৰ বলী হৈছিল আইদেউ সন্দিকৈ। জয়মতী ছবিত বঙহৰদেউ বুলি কোৱাৰ বাবেই উপেক্ষা কৰা হৈছিল তেখেতক। কিন্তু সেই গৰাকী আইদেউ সন্দিকৈ হ’লগৈ অসমীয়া কথাছবিৰ অন্যতম কিংবদন্তি মহিলা। অসমীয়া চিনেমাৰ বাট মুকলি কৰি থৈ গ’ল তেখেতে। সামাজিক উত্তৰণৰ বাবে সকলোৰে আধ্যাত্মিক গুণো থাকিব লাগিব। তেতিয়াহে আমাৰ সভ্যতা সংস্কৃতি ৰক্ষা পৰিব বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাতৃ, বিশিষ্ট সাহিত্যিক মৃণালিনী দেৱীয়ে। আনহাতে আজিৰ সভাত মুখ্য অতিথি ৰূপে অংশ লৈ চট্টিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই “কিতাপ পঢ়াৰ আন্দোলন” বুলি নকৈ, কিতাপ পঢ়াৰ এক পৰিৱেশ সৃষ্টি কৰিবলৈ মাতৃ সকলক আহ্বান জনায়। এই অনুষ্ঠানত সপত্নীক উপস্থিত থাকি ৰাজ্যপাল গৰাকীয়ে কয় যে সদৌ অসম লেখিকা সমাৰোহৰ কাম কাজ তেখেতে লক্ষ্য কৰি আহিছে। সেয়েহে অহা বছৰৰ পৰা আন একোগৰাকী বিশিষ্ট মহিলাক বঁটা প্ৰদান কৰিব পৰাকৈ সমাৰোহক ২ লাখ টকা প্ৰদান কৰিব। এই টকাৰ বাৰ্ষিক সুদেৰে এই বঁটা প্ৰদান কৰিব পাৰিব। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত “বেণ্ডিত কুইন” খ্যাত বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বসক “মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈ বঁটা” প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি বিশিষ্ট অভিনেত্ৰী গৰাকীয়ে আইদেউ সন্দিকৈৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি কয়যে “এইয়া মোৰ জীৱনৰ অন্যতম প্ৰাপ্তি। এই সন্মান অস্কাৰতকৈ কম নহয়। এই প্ৰাপ্তিয়ে মোৰ জীৱন ধন্য কৰিলে।” আইদেউ সন্দিকৈক স্মৰণ কৰি কয় যে আজি ডিজিটেল প্ৰচাৰৰ সময়ত সকলো ভাল বেয়া কথা তাৎক্ষণিক ভাৱে প্ৰচাৰ হয়। কিন্তু চিনেমা কৰাৰ পাছত আইদেউ সন্দিকৈৰ সেই সময়, একাষৰীয়া ঘৰ, সমাজৰ পৰা একাষৰীয়া জীৱন, সেই জীৱনৰ সাৰ্থকতাৰ কথা “জয়মতী” আইদেউ সন্দিকৈয়ে জীৱনৰ শেষ সময়তহে অনুভৱ কৰিব পাৰিলে।

বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ধনৰ কেলেংকাৰীত গ্ৰেপ্তাৰ

ৰঙিলী বাৰ্ত্তাসেৰা- ঐতিহ্যমণ্ডিত আমৰাঙ্গা বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন অধ্যক্ষ ডঃ নগেন চন্দ্ৰ দাসে ধনৰ কেলেংকাৰীত অভিযুক্ত হৈ অৱশেষত হল গ্ৰেপ্তাৰ। পলাশবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছেপ্ৰাক্তন অধ্যক্ষগৰাকীক। মিৰ্জাৰ পৰা গ্ৰেপ্তাৰ কৰিছে ডঃ নগেন চন্দ্ৰ দাসক। ইতিমধ্যে পলাশবাৰী আৰক্ষী থানাত ৰুজু হৈছিল গোচৰ। দক্ষিণ কামৰূপ আমৰাঙ্গা বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২২ লাখ ৬৫ হাজাৰ টকা লুণ্ঠন কৰাৰ অভিযোগত অভিযুক্ত হৈ আছিল প্ৰাক্তন অধ্যক্ষগৰাকী। চৰকাৰী হিচাপত পোহৰলৈ আহিছিল এই লুণ্ঠনৰ ঘটনা। উল্লেখ্য যে কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াই আবেদনৰ জৰিয়তে জনাইছিল সকলো কথা আৰু মুখ্যমন্ত্ৰীৰ নিৰ্দেশত CM ভিজিলেঞ্চৰ কাষ চাপিছিল বিদ্যালয় পৰিচালনা সমিতি প্ৰাক্তন অধ্যক্ষগৰাকী আৰু জেল হাজোতলৈ প্ৰেৰণৰ কৰাৰ ব্যৱস্থা কৰিছে।

Beauty of the Week



Chandrika Goswami,B.baruah college

ভূটানৰ ৰাষ্ট্ৰীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

ৰঙিলী বাৰ্ত্তাসেৱা- ৰয়েল ভূটান চৰকাৰৰ আমন্ত্ৰণমৰ্মে চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱস উদযাপন সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় দিৱস উদযাপন সমাৰোহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সহধৰ্মিণী ৰিণিকি ভূএগ্ৰা শৰ্মায়ো অংশগ্ৰহণ কৰে। থিম্ফুৰ চাংলিমেথাং খেলপথাৰত বৰ্ণাঢ্য তথা প্ৰাণৱন্ত পৰিৱেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক অনন্য অনুভূতি লাভ কৰা বুলি মন্তব্য কৰে। ৰাষ্ট্ৰীয় দিৱসত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক অনন্য অনুভূতি লাভ কৰা বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- ভূটানৰ এই ৰাষ্ট্ৰীয় দিৱসৰ সুন্দৰ আৰু মনোমুগ্ধ পৰিৱেশত উপস্থিত থাকিব পৰাটো মোৰ বাবে অত্যন্ত সৌভাগ্য আৰু গৌৰৱৰ কথা। ৰাষ্ট্ৰীয় দিৱস উযাপন সমাৰোহত অংশগ্ৰহণ কৰাৰ প্ৰাক্‌মুহূৰ্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ সহধৰ্মিণী ৰিণিকি ভূএগ্ৰা শৰ্মাক ৰয়েল ভূটান চৰকাৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ১৯০৭ চনত ভূটানৰ প্ৰথম ৰজা উগ্যেন ৱাংচুকৰ ৰাজ অভিষেকৰ স্মৃতিত এই ৰাষ্ট্ৰীয় দিৱস উদযাপন কৰা হয়। এই ঐতিহাসিক পৰিঘটনাই ভূটানত ৱাংচুক বংশৰ আৰম্ভণি ঘটাইছিল আৰু আজি পৰ্যন্ত এই বংশটোৱে ভুটানৰ শাসনভাৰ চলাই আহিছে। ভুটানৰ ৰাষ্ট্ৰীয় দিৱস উদ্যাপনৰ জৰিয়তে দেশখনৰ চহকী ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰা প্ৰতিফলিত হৈ আহিছে। ভূটানৰ

(দহ পৃষ্ঠাত চাওক)

অসমত সম্পূৰ্ণৰূপে নিষিদ্ধ হ'ল ম'হ যুঁজ-বুলবুলি চৰাইৰ যুঁজ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত সম্পূৰ্ণৰূপে নিষিদ্ধ হ'ল ম'হ যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজ । গুৱাহাটী উচ্চ ন্যায়ালয়ে মঙলবাৰে এই গুৰুত্বপূৰ্ণ ৰায়দান প্ৰদান কৰিছে। মাঘ বিহুৰ সময়ত পৰম্পৰাগত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাৰ বাবে অনুমতি প্ৰদান কৰি ৰাজ্য চৰকাৰে জাৰি কৰা এছঅ'পি গুৱাহাটী উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছে। পিপল ফৰ দ্য এথিকেল ট্ৰিটমেন্ট অৱ এনিমেলছ (পেটা) ইণ্ডিয়াই দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰুৱাৰ বিচাৰপীঠে ৰাজ্য চৰকাৰৰ এছঅ'পি খাৰিজ কৰে। ইয়াৰ লগে লগে আগন্তুক মাঘ বিহুৰ সময়ত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত আইনী বাধাৰ সৃষ্টি হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও ৰাজ্যত চলি অহা পৰম্পৰাগত ম'হযুঁজ,

(দহ পৃষ্ঠাত চাওক)

ভূটানৰ ৰজাক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- ৰয়েল ভূটান চৰকাৰৰ আমন্ত্ৰণমৰ্মে চাৰি দিনীয়া কাৰ্যসূচীৰে সম্প্ৰতি ভূটান ভ্ৰমণত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভূটানৰ ৰজা আৰু প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুকক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰু ভূটানৰ মাজত থকা ঐতিহ্যপূৰ্ণ সম্পৰ্কক অধিক সুদৃঢ়কৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। ভূটান আৰু ইয়াৰ নাগৰিকসকলৰ উন্নয়ন তথা আঞ্চলিক অৰ্থনৈতিক উন্নয়নৰ পৰিপ্ৰেক্ষিতত ভাৰত-ভূটানৰ সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত এই আলোচনাত বিশেষভাৱে আলোকপাত কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগেৰ সৈতেও আন এক আলোচনাত মিলিত হৈ দুয়োখন ৰাষ্ট্ৰৰ ভূ-খণ্ডৰ পাৰস্পৰিক বিষয়সমূহৰ লগতে ভূটানৰ সৈতে বাণিজ্যিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ বিষয়েও সৌহাৰ্দ্যপূৰ্ণ আলোচনা কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ভূটান আৰু অসমৰ মাজত পূৰ্বৰে পৰা ৭টা বাণিজ্যিক পথেৰে দুয়োখন ভূখণ্ডৰ মাজত যাতায়াত ব্যৱস্থা অব্যাহত আছে। আলোচনাকালত অসম-ভূটান সীমান্তত বাণিজ্যিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে ভূটানৰ ব্যৱসায়ীসকলৰ চাহিদা অনুসৰি দুয়োখন ভূখণ্ডৰ মাজত ব্যৱসায়-বাণিজ্য বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্ত পথৰ ব্যৱস্থাৰ বাবে অসম চৰকাৰে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আশ্বাস দিয়ে। তদুপৰি অসম মালা প্ৰকল্পৰ অধীনত কোকৰাঝাৰ আৰু গেলেফুৰ মাজত পথ সংযোগ ব্যৱস্থা অধিক শক্তিশালীকৰণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বিষয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। ভূটানৰ প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা এই আলোচনাৰ সময়ছোৱাত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিবেদীৰ উপৰি ৰাজ্য চৰকাৰৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

লোকসভাত 'এক দেশ এক নিৰ্বাচন' বিধেয়ক দাখিল

ৰঙিলী বাৰ্ত্তাসেৱা- বিৰোধীৰ আপত্তিৰ মাজতেই লোকসভাত দাখিল কৰা হৈছে 'এক দেশ এক নিৰ্বাচন' বিধেয়ক। অৱশ্যে বিৰোধী পক্ষই তোলা 'ডিভিজন'ৰ দাবীক মানি লৈ 'এক দেশ এক নিৰ্বাচন' বিধেয়ক দাখিল কৰা হয় লোকসভাত। বিধেয়কৰ পক্ষত ভোটদান কৰে ২৬৯গৰাকী সাংসদে। আনফালে বিপক্ষে ভোটদান কৰে ১৯৮ গৰাকীয়ে। এই বিষয়টোক লৈ ভোটদান চলাৰ পাছত এঘণ্টা ধৰি স্থগিত ৰখা হয় সংসদৰ কাম-কাজ। বিধেয়ক দাখিলৰ বাবে প্ৰথমতে ইলেক্ট্ৰনিক ভোটিং মেচিন (ইভিএম) আৰু পাছত বেলট পেপাৰ ব্যৱহাৰ কৰা হয়। প্ৰথমবাৰলৈ নতুন সংসদ ভৱনত ইভিএম ব্যৱহাৰ কৰা হয়। উল্লেখনীয় যে বিৰোধীৰ তীব্ৰ আপত্তিৰ মাজতে লোকসভাত এই বিতৰ্কিত বিধেয়ক দাখিল কৰে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে এই সম্পৰ্কীয় ১২৯সংখ্যক সংবিধান (সংশোধনী) বিধেয়ক আৰু কেন্দ্ৰীয়শাসিত অঞ্চল আইন (সংশোধনী) বিধেয়ক সংসদৰ নিম্ন কক্ষত উত্থাপন কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ (টিএমচি), সমাজবাদী পাৰ্টীসহ বিৰোধী দলসমূহে 'ডিভিজন' দাবী উত্থাপন কৰে। এইক্ষেত্ৰত সংসদীয় বিধি মানি কোনো বিধেয়কক লৈ বিতৰ্কৰ পূৰ্বেই ভোটদান অনুষ্ঠিত কৰিবলগীয়া হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'এক দেশ এক নিৰ্বাচন' বিধেয়কৰ খচৰা সন্দৰ্ভত সংসদৰ যৌথ কমিটীত আলোচনা বিচাৰে। বিৰোধী সাংসদসকলে অভিযোগ কৰে যে এই বিধেয়কে সংবিধানৰ মূল গাঁথনিত আঘাত হানিব। ইয়াৰ জৰিয়তে একনায়কতন্ত্ৰক প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলোৱা হৈছে বুলি কেইবাগৰাকীও বিৰোধী সাংসদ সৰৱ হৈ পৰে। স্মৰ্তব্য যে সংসদৰ অধিৱেশনৰ মাজতে যোৱা ৰচ ডিচেম্বৰত কেন্দ্ৰীয় মন্ত্ৰীসভাই 'এক দেশ এক নিৰ্বাচন' সম্পৰ্কীয় কমিটীৰ প্ৰতিবেদনত অনুমোদন জনাইছিল। এই বিষয়টোক লৈ যোৱা বছৰৰ ১ ছেপ্টেম্বৰৰ পৰাই প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ নেতৃত্বাধীন কমিটীয়ে বিভিন্ন দিশ পৰ্যালোচনা কৰি আছিল। যোৱা ১৪ মাৰ্চত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মৰ ওচৰত একেলগে লোকসভা আৰু সকলো ৰাজ্যৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ ৮টা খণ্ডত বিভক্ত ১৮ হাজাৰ পৃষ্ঠাৰ প্ৰতিবেদন কোবিন্দ কমিটীয়ে দাখিল কৰিছিল। স্মৰ্তব্য যে কংগ্ৰেছ, টিএমচি, সমাজবাদী পাৰ্টীসহ বিৰোধী দলসমূহে পূৰ্বৰে পৰা 'এক দেশ এক নিৰ্বাচন' নীতিৰ বিৰোধিতা কৰি আহিছে। বিধেয়ক উত্থাপন হোৱাৰ সময়ত ইণ্ডি জোঁটৰ লগতে অন্য বিৰোধী দলসমূহ সৰৱ হৈ পৰে। ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশ অনুসৰি এই বিধেয়কখন যৌথ সংসদীয় কমিটী (জেপিচি) লৈ পৰ্যালোচনাৰ বাবে প্ৰেৰণ কৰা হৈছে। যৌথ সংসদীয় কমিটীত এই বিধেয়কখন সন্দৰ্ভত সৰ্বাধিক ৩ মাহ সময় ঐক্যমতৰ বাবে পৰ্যালোচনাৰ সুযোগ থাকিব। প্ৰয়োজনত যৌথ সংসদীয় কমিটীৰ ম্যাদ বৃদ্ধি কৰি বিধেয়কখনৰ পৰ্যালোচনাৰ সময়সীমা পুনৰ বঢ়াই লোৱা হ'ব পাৰে। লক্ষণীয়ভাৱে 'এক দেশ এক নিৰ্বাচন' প্ৰক্ৰিয়াৰ জৰিয়তে লোকসভা, বিধানসভা নিৰ্বাচনৰ লগতে পঞ্চায়ত আৰু পৌৰ নিৰ্বাচনসমূহো ভৱিষ্যতে একেলগে অনুষ্ঠিত কৰাৰ চিন্তা-চৰ্চা চলোৱা হ'ব বুলি চৰকাৰৰ সূত্ৰই সদৰী কৰিছে। বিৰোধী দলসমূহে ৰাজ্য চৰকাৰৰ অধিকাৰক খৰ্ব কৰি এই বিধেয়ক প্ৰণয়নৰ চেষ্টা চলোৱা হৈছে বুলিও অভিযোগ কৰে। ইফালে আইন মন্ত্ৰী মেঘৱালে 'এক দেশ এক নিৰ্বাচন' গৃহীত হ'লেও সংবিধানত কোনো আঘাত নপৰে বুলি ঘোষণা কৰিছে।

বিশিষ্ট কবি সমীৰ তাঁতীলৈ সাহিত্য অকাডেমী বঁটা

ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া কাব্য সাহিত্যৰ অন্যতম কাণ্ডাৰী সমীৰ তাঁতীলৈ ২০২৪ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা প্ৰদান। 'ফৰিংবোৰে বাটৰ কথা জানে' শীৰ্ষক কবিতা গ্ৰন্থৰ বাবে অকাডেমী বঁটা আগবঢ়োৱা হৈছে সমীৰ তাঁতীলৈ। বঁটা ঘোষণাৰ পিছত বিশিষ্ট কবিগৰাকীয়ে সাংবাদিকৰ আগত কয় যে, ২০১৮ চনত 'ফৰিংবোৰে বাটৰ কথা জানে' কবিতা পুথিখন লিখা হৈছিল। ২০২১ চনত কবিতা পুথিখন প্ৰকাশ হোৱাৰ পিছত ২০২২ চনত এই কবিতা পুথিখন উন্মোচন কৰা হৈছিল। তেওঁ লগতে কয় যে ১৯৮৭ চনত তেওঁ পৰ্যটন বিভাগৰ কেবাগৰাকী বিষয়াৰ লগত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন ভ্ৰমণৰ সুযোগ পাইছিল ।এই ভ্ৰমণকালত লাভ কৰা বিভিন্ন অভিজ্ঞতা আৰু অনুভৱৰ পৰা কবিতাবোৰ লিখিছিল । পিছত সুদীৰ্ঘকাল এইবোৰ সংশোধিত আৰু পৰিমাৰ্জিত কৰি কবিতা পুথি আকাৰে প্ৰকাশ কৰা হয় । কবিতাবোৰত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন সমস্যা, ৰাজনৈতিক বিষয় আৰু উগ্ৰপন্থাৰ সমস্যা আদি দিশবোৰ প্ৰতিফলিত হৈছে। ১৯৫৫ চনৰ ৬ ফেব্ৰুৱাৰীত গোলাঘাটৰ বিহৰা চাহ বাগিচাত জন্মলাভ কৰা সমীৰ তাঁতীয়ে "যুদ্ধভূমিৰ কবিতা", "কদম ফুলাৰ ৰাতি", "শোকাকুল উপত্যকা", "বিগলিত প্ৰাৰ্থনা" আদি কবিতা গ্ৰন্থৰে অসমীয়া কবিতা সাহিত্যৰ জগতক প্ৰসিদ্ধ কৰিছে । কবি তাঁতীয়ে ২০১২ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰিছিল। কবি তাঁতীয়ে এজন উৰিয়া শিক্ষকৰ ওচৰত শিক্ষাজীৱনৰ পাতনি মেলিছিল। এবছৰমান পাছত তেওঁ বিহৰাৰ এখন হিন্দী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰে। দুবছৰমান সেইখন বিদ্যালয়ত পঢ়াৰ পাছত তেওঁ অসমীয়া মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰে আৰু ১৯৭৪ চনত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ১৯৮৩ চনত কবি তাতীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ উপাধি লাভ কৰে। সমীৰ তাঁতীয়ে হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত "সাদিনীয়া নাগৰিক" কাককত উপ-সম্পাদক হিচাপে কৰ্মজীৱনৰ পাতনি মেলে । তাৰ পাছত তেখেতে "দ্য ছেণ্টিনেল" কাকতত আৰ্হিকাকত চাওঁতা হিচাপে কাম কৰে। ইয়াৰ পাছত তেওঁ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ত অনুবাদক, শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰবক্তা, খানাপাৰাৰ গণেশ মন্দিৰ বিদ্যালয়ত শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি শেষত অসম চৰকাৰৰ জ্যেষ্ঠ পৰ্যটন অনুসন্ধান বিষয়াৰূপে অৱসৰ গ্ৰহণ কৰে। ১৯৭৯ চনত 'নাগৰিক' কাকতত সমীৰ তাঁতীৰ প্ৰথমটো কবিতা প্ৰকাশ পাইছিল। বৰ্তমানলৈকে সমীৰ তাঁতীৰ বাৰখন কবিতাপুথি, সমালোচনা আৰু গদ্য সাহিত্যৰ চাৰিখন সংকলন, আফ্ৰিকীয় কবিতা আৰু জাপানী প্ৰেমৰ কবিতাৰ দুখন অনুদিত গ্ৰন্থ প্ৰকাশ পোৱাৰ লগতে তেওঁৰ সম্পাদনাৰে দুখন গল্প সংকলন প্ৰকাশ পাইছে। "যুদ্ধভূমিৰ কবিতা" (১৯৮৫), "শোকাকুল উপত্যকা"(১৯৯৩), "সময় শব্দ সপোন" (১৯৯৬), "কদম ফুলাৰ ৰাতি" (২০০১) আদি তেওঁৰ প্ৰকাশিত উল্লেখযোগ্য কবিতা সংকলন। ২০১২ চনৰ নৰেশ্বৰত সমীৰ তাঁতীক ছগনলাল জৈন সাহিত্য বঁটাৰে সন্মানিত কৰা হৈছিল ।

ডিব্ৰুগড়ত ৰাইজৰ দলত বৃহৎ যোগদান কাৰ্যসূচীত অংশগ্ৰহণ অখিল গগৈৰ

যোগদান কাৰ্যসূচী আৰু দলীয় সভা
ৰাইজৰ দল
মুখ্য অতিথি সন্মানীয় শ্ৰীযুত অখিল গগৈ

ৰঙিলী বাৰ্ত্তাসেৱা- কিছুদিনৰ আগতে ৰাইজৰ দলত যোগদান কৰা ডাঃ ৰিক্তম বৰগোহাঁইৰ নেতৃত্বত ডিব্ৰুগড়ত ৰাইজৰ দলৰ বৃহত যোগদান কাৰ্যসূচী আৰু দলীয় সভা অনুষ্ঠিত। অনুষ্ঠানত অংশগ্ৰহণ কৰে দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ। বৃহত বাইক ৰেলী কৰি ডিব্ৰুগড় চহৰৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত উপস্থিত হয় অখিল গগৈ। মন্ত্ৰী সকলে মিডিয়াৰ আগত ৰাজনৈতিক মুখ নুখুলিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়াৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অখিল গগৈ। কংগ্ৰেছৰ 'ৰাজভৱন চলোঁ' শীৰ্ষক প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ ওপৰত কান্দুৱা গেছ নিক্ষেপ কৰাত মৃত্যু হোৱা কংগ্ৰেছ নেতা মৃদুল ইছলামৰ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে বিধায়াক অখিল গগৈয়ে। বিৰোধী দলৰ একত্ৰিকৰণক লৈ ডিব্ৰুগড়ত অখিলৰ মন্তব্য- ৰাইজৰ দল আৰু অসম

(দহ পৃষ্ঠাত চাওক)

চুমি বৰাৰ জামিন মঞ্জুৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ট্ৰেডিং কেলেংকাৰীৰ গোচৰত জামিন পালে চুমি বৰাই। চিবিআইৰ অন্তিমটো গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰিলে জামিন। বৰ্তমান গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত কাৰাবন্দী হৈ আছে চুমি বৰা। ডিব্ৰুগড় থানাৰ ৩৫২/২৪ নম্বৰ গোচৰত জামিন লাভ কৰিলে চুমি বৰাই। কিন্তু জামিন পালেও কাৰাবন্দী হৈ থাকিব লাগিব চুমি। এতিয়াও মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত হোৱা নাই চুমি বৰাৰ। বৰবৰুৱা থানা আৰু দুলীয়াজান থানাত ৰুজু হৈ আছে গোচৰ। সেই দুটা গোচৰত জামিন লাভ কৰা নাই চুমি বৰাই। গতিকে জামিন লাভৰ পাছতো জে'লতে থাকিব লাগিব চুমি। দীৰ্ঘদিন ধৰি কাৰাগাৰত থকাৰ পাছত কিছুদিন জামিন লাভ কৰিছিল অনলাইন ট্ৰেডিং কেলেংকাৰীৰ অন্যতম অভিযুক্ত বিশাল ফুকন, তাৰ্কিক বৰা আৰু স্বপ্নীল দাসে। শুনানি গ্ৰহণ কৰি এই তিনিওজনৰে জামিন মঞ্জুৰ কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। ইয়াৰ পূৰ্বে অনলাইন ট্ৰেডিং কেলেংকাৰীৰ অন্যতম অভিযুক্ত চুমি বৰাৰ জামিন আবেদন কেইবাৰো নাকচ কৰিছিল ন্যায়ালয়ে। আটাইকেইজন ট্ৰেডিং কেলেংকাৰীৰ অভিযুক্তক বৰ্তমান গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত ৰখা হৈছে।

বিশ্ববিখ্যাত তবলা বাদক জাকিৰ হুছেইনৰ দেহাৱসান

ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ববিখ্যাত তবলাবাদক ওস্তাদ জাকিৰ হুছেইনৰ দেহাৱসান। তবলাবাদনৰ জৰিয়তে দেশ-বিদেশত খ্যাতি অৰ্জন কৰাৰ লগতে এগৰাকী সংগীত পৰিচালক আৰু প্ৰযোজক হিচাপে পৰিচিত ৭৩ বছৰীয়া গীত শিল্পী জাকিৰ হুছেইন হৃদৰোগজনিত কাৰণত আমেৰিকাৰ ছান ফ্ৰান্সিস্কো হাস্পতালৰ আইচিইউত ভৰ্তি হৈ থকাৰ সময়তে শেষ নিশ্বাস ত্যাগ কৰে। তবলাবাদনেৰে সংগীত জগতত এক সুকীয়া স্থান লাভ কৰা দেশৰ তিনি সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী, পদ্মভূষণ, পদ্মবিভূষণকে ধৰি দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত তবলাবাদক জাকিৰ হুছেইনৰ বিয়োগৰ বাৰ্তা বিয়পি পৰাৰ লগে লগে শোকত ম্ৰিয়মাণ হৈ পৰে দেশবাসী। ৫১ সংখ্যক গ্ৰেমী বঁটা লাভ কৰি আন্তৰ্জাতিক পৰ্যায়ত কিংবদন্তি শিল্পী হিচাপে স্বীকৃতি লাভ কৰা জাকিৰ হুছেইন কিংবদন্তি তবলাবাদক আল্লা ৰাখাৰ জ্যেষ্ঠ পুত্ৰ। ১৯৫১ চনৰ ৯ মাৰ্চত মুম্বাইত জন্মগ্ৰহণ কৰা জাকিৰ হুছেইনে মহিমৰ ছেইন্ট মাইকেল হাইস্কুলত বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰাৰ পাছত মুম্বাইৰ ছেইন্ট জেভিয়াৰ্ছ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। শৈশৱকালতে প্ৰতিভাৰ পৰিচয় দিয়া জাকিৰ হুছেইনে পিতৃৰ পৰাই তবলাবাদনৰ শিক্ষাগ্ৰহণ কৰাৰ সমান্তৰালকৈ শাস্ত্ৰীয় পাৰ্কুছন শিকিবলৈ লয়। ৩ বছৰ বয়সতে বিভিন্ন বাদ্যযন্ত্ৰ আয়ত্ত কৰি লৈ ১২ বছৰ বয়সৰ পৰাই কনচাৰ্টত অংশগ্ৰহণ কৰে। কেইবাগৰাকীও পশ্চিমীয়া সংগীতজ্ঞৰে মিলিত হৈ ভাৰতীয় শাস্ত্ৰীয় সংগীতক আন্তৰ্জাতিক পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা জাকিৰ হুছেইনে কিংবদন্তি বিটলছৰ সৈতে মিলিত হৈ ভাৰতীয় আৰু পশ্চিমীয়া সংগীতৰ মিশ্ৰিত ধাৰাৰে বিশ্ববাসীক আকৰ্ষিত কৰিছিল। শাস্ত্ৰীয় আৰু ফিউজন সংগীতৰ উদ্ভাৱনৰ অসাধাৰণ দক্ষতাৰে জাকিৰ হুছেইনে বিশ্বজুৰি কিংবদন্তি শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ

(দহ পৃষ্ঠাত চাওক)

কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচীৰ মাজতে এগৰাকী কংগ্ৰেছ কৰ্মীৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছৰ ৰাজভৱন চলো শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ মাজতে এগৰাকী কংগ্ৰেছ কৰ্মী নিহত। নিহত কংগ্ৰেছ কৰ্মীগৰাকী অধিবক্তা মৃদুল ইছলাম। কংগ্ৰেছৰ আইনী কোষৰ নেতা আছিল মৃদুল ইছলাম। উল্লেখ্য যে, গুৱাহাটীত আজি অসম প্ৰদেশ কংগ্ৰেছে 'এক দেশ, এক নিৰ্বাচন'কে ধৰি একাধিক দাবীৰে ৰাজভৱন চলো কাৰ্যসূচী গ্ৰহণ কৰিছিল। এই প্ৰতিবাদৰ মাজতে আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত সৃষ্টি হৈছিল উত্তপ্ত পৰিস্থিতিৰ। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰিছিল। আৰক্ষী-প্ৰতিবাদকাৰীৰ হতাহতিত আহত হৈছিল মৃদুল ইছলাম। মৃদুলৰ গাত লাগিছিল কন্দুৱা গেছৰ চেল। আহত মৃদুল ইছলামক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হয় যদিও হাস্পতালত মৃত্যু হয় লোকজনৰ। এই হতাহতিত বহু কংগ্ৰেছ কৰ্মী আহত হোৱাৰ লগতে বাতৰি সংগ্ৰহৰ বাবে যোৱা কেইবাজনো সংবাদ কৰ্মীও আহত হয়। আহত কংগ্ৰেছ কৰ্মীসকলক জি এম চি এইছত ভৰ্তি কৰোৱা হৈছিল।

তবলা বাদক প্ৰয়াত ওস্তাদ জাকিৰ হুছেইনলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি অৰ্পণ

নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা

বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত -

“চিহ্ন সেথা পৰে আছে
হেথা তুমি নাই।”

বিশ্ব বৰেণ্য ওস্তাদ জাকিৰ হুছেইনে পৰিৱেশন কৰা তবলাৰ ৰিমঝিম ৰিমঝিম বৰষুণৰ অবিৰত ঝংকাৰে এতিয়াও সকলো বিশ্ববাসীৰ কৰ্ণকুহৰত অমৃত ঢালি আছে ; অথচ তেওঁ আমাক সকলোকে কন্দুৱাই মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ছান ফ্ৰান্সিস্ক'ৰ এখন হাস্পতালত হৃদযন্ত্ৰৰ ব্যাধিত আক্ৰান্ত হৈ দুসপ্তাহ ধৰি “আই চি উ”ত চিকিৎসাধীন হৈ থাকি ২০২৪ চনৰ ডিচেম্বৰ মাহৰ ১৫ তাৰিখ দেওবাৰ ৭৩ বছৰ বয়সত ইহ সংসাৰ ত্যাগ কৰে।

ওস্তাদ জাকিৰ হুছেইনে ১৯৫১ চনত ৯ মাৰ্চত মুম্বাইত জন্ম গ্ৰহণ কৰিছিল। তেওঁ মাহিম ছেন্ট হাইস্কুলত পঢ়াশুনা কৰি মোম্বাইৰ ছেন্ট জেভিয়াৰ শিক্ষানুষ্ঠানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ভাৰতীয় সংগীত জগতত তবলা বাদ্যযন্ত্ৰৰ সহযোগত সঙ্গীতৰ সুৰৰ লহৰ সৃষ্টি কৰি ওস্তাদ জাকিৰ হুছেইনৰ পিতৃ আল্লা ৰাখা খানে এটি নব্য ধাৰাৰ সৃষ্টি কৰিছিল। উপযুক্ত পিতৃৰ তত্বাৱধানত ওস্তাদ জাকিৰ হুছেইনে তিনি বছৰ বয়সত মৃদং (শাস্ত্ৰীয় সংগীতৰ বাদ্যযন্ত্ৰ) বজাবলৈ শিকে। ১২ বছৰ বয়সতে তেওঁ কনচাৰ্টত যোগ দি একানপতীয়া সাধনাৰ বলত তবলা বাদক হিচাপে সৰ্বকালৰ সৰ্বোচ্চ ৰেকৰ্ড স্থাপন কৰিবলৈ সক্ষম হয়। তেওঁক ভাৰত চৰকাৰে ১৯৮৮ চনত পদ্মশ্ৰী, ২০০২ চনত পদ্মভূষণ আৰু ২০২৩ চনত পদ্মবিভূষণ উপাধিৰে সন্মানিত হৈছে। তাৰ উপৰিও ১৯৯০ চনত ভাৰত চৰকাৰৰ সংগীত-নাটক একাডেমী পুৰস্কাৰ, সংগীত-নাটক একাডেমী ফেলোশ্বিপ আৰু ২০১৮ চনত ৰত্ন সদস্য পদক লাভ কৰে। ১৯৯৯ চনত ওস্তাদ জাকিৰ হুছেইনে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দ্বাৰা “National Endowment for the Art’s National Haritage Fellowship” লাভ কৰে। তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কৃতিত্ব হ'ল, সমকালীন বিশ্ব সংগীত এলবাম বিভাগৰ কেটেগৰীত তেওঁৰ সহযোগী এলবাম “Global Drum Project” য'ত জড়িত আছিল মহাদেশীয় যুক্তৰাষ্ট্ৰৰ Mickey Hart, Puerto Rico(Giovanni Hidalgo and Frank Colon), India(Jakir Hussain and TH “Vikku”Vinayakram), Nigeria(Sikiru Adopeju and Babatunde Olatunji), Brazil (Airto Moreira and his wife Vocalist Flora Purim) এই এলবামটি ২০০৭ চনত মুক্তি লাভ কৰে আৰু ২০০৯ চনৰ ৮ ফেব্ৰুৱাৰীত ওস্তাদ জাকিৰ হুছেইনে সঙ্গীত জগতৰ আটাইতকৈ সন্মানীয় গ্ৰেমী এৱাৰ্ডৰ বাবে (Grammy awards) সাত বাৰ মনোনীত হৈ ৫১তম গ্ৰেমী এৱাৰ্ড লাভ কৰিবলৈ সক্ষম হৈছিল আৰু ২০২৪ চনত আৰু তিনিটা গ্ৰেমী এৱাৰ্ড লাভ কৰি বিশ্বজুৰি খলকনিৰ সৃষ্টি কৰিছিল।

ওস্তাদ জাকিৰ হুছেইন কেৱল তবলা বাদক হিচাপে সৰ্বকালৰ শ্ৰেষ্ঠ ৰেকৰ্ড স্থাপন কৰা নাই, তেওঁ একাধাৰে আছিল অৰ্কেষ্ট্ৰাৰ বিশেষ বাদ্যযন্ত্ৰ পাৰ্কাছনৰ অতি সুদক্ষ পাৰ্কাছনিষ্ট, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, বোলছবিৰ প্ৰযোজক আৰু দক্ষ অভিনেতা। আমাৰ দেশ ভাৰতবৰ্ষত ওঠৰ শতিকাৰ পৰা তবলা বাদ্যযন্ত্ৰৰ সহযোগত ৰাজসভাত নৰ্ত্তকী সকলে গীত আৰু নৃত্য পৰিৱেশন কৰাৰ এটি প্ৰাচীন পৰম্পৰা আছিল।ওস্তাদ জাকিৰ হুছেইনৰ পিতৃ ওস্তাদ আল্লা ৰাখা খানৰ একক তথা ওস্তাদ জাকিৰ হুছেইনৰ সৈতে সন্মিলিত প্ৰচেষ্টাৰে দুয়ো গৰাকী নমস্য তবলা বাদকে তবলা বাদ্যযন্ত্ৰক ভাৰতীয় হিন্দুস্তানী সংগীত ঘৰানা আৰু আধুনিক সংগীতক সমৃদ্ধিশালী সংগীতৰ ধাৰালৈ ধাৰাবাহিক ভাৱে প্ৰৱাহিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ওস্তাদ জাকিৰ হুছেইনৰ মৃত্যুৰ বাতৰিয়ে ভাৰত তথা বিশ্বজুৰি সংগীত প্ৰেমিক সকলক শোক স্তব্ধ কৰি তুলিছে। সকলোৱে তেওঁৰ মৃত্যুত মৌন হৈ শোক পালন কৰাৰ উপৰিও শোক বাৰ্তা পৰিৱেশন কৰি শোক-সন্তপ্ত পৰিয়াললৈ তথা লাখ লাখ তেওঁৰ ভক্ত আৰু অনুৰাগীসকলক সমবেদনা জ্ঞাপন কৰিছে। বিশ্ব-বিশ্ৰুত তবলা বাদক ওস্তাদ জাকিৰ হুছেইনৰ শূন্য স্থান পূৰণ হ'বলৈ বহুদিনলৈ অপেক্ষা কৰিব লাগিব।

তেওঁৰ মৃত্যুৰ বাতৰি পাই শোকত বিহ্বল হৈ জ্যোতিৰাদিত্য সিন্ধিয়াই টুইড যোগে মন্তব্য আগবঢ়ায় যে, “জাকিৰ হুছেইন ডাঙৰীয়াৰ তবলাৰ বোল সৰ্বজনীন। ভাষা, সীমা, সংস্কৃতি আৰু প্ৰজন্মক অতিক্ৰম কৰি আৱাজ তোলে। তেওঁৰ তবলা বোলৰ ছন্দ, সুৰ, ঝংকাৰ আৰু কম্পনে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। চিৰকাল আমাৰ প্ৰত্যেকৰে হৃদয়ত ই স্থায়ীভাৱে ৰৈ থাকিব; প্ৰতিধ্বনিত হ'ব। বাহ তাজ! তেওঁৰ পৰিয়ালবৰ্গ, প্ৰিয়জন, ভক্তগণ আৰু অনুগামী সকলক আমাৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ওম শান্তি!

তবলা বাদকৰ কিংবদন্তি-স্বৰূপ ওস্তাদ জাকিৰ হুছেইনৰ অকাল বিয়োগত তেখেতৰ প্ৰতি একাঁজলি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

জীৱনৰ আকৃতি

সংযুক্তা দত্ত

জীৱনটো অতি সুন্দৰ, কিন্তু ইয়াৰ কোনো আকৃতি নাই। জীৱনটোক আকৃতি দিয়াটোৱে হ'ল কলাৰ সাধনা।

-জাঁ আনুই

উক্ত কথাযাৰৰ মমাৰ্থ অতি গভীৰ। পৰমাত্মাৰ কৃপাত মানৱ জীৱন লাভ কৰাটো আমাৰ পৰম সৌভাগ্য। পৃথিৱীত অলেখ জীৱ আছে। সেই জীৱ সমূহৰ ভিতৰত মানুহেই একমাত্ৰ জীৱ যি কথা ক'ব পাৰে। মানুহৰ নিজৰ বিবেক বুদ্ধি আছে ভাৱ অনুভূতি আছে। এই সমূহ আন জীৱসমূহৰ নাই। এই ক্ষেত্ৰত মানৱজাতি অতি সৌভাগ্যৱান। মানুহৰ জীৱনটো অতি সুন্দৰ আৰু এই সুন্দৰজীৱনটো মানুহে নিজেই গঢ় দিব জানিব লাগিব। আমি যেনেদৰে ঘৰ এটা সুন্দৰকৈ সজাওঁ আনৰ চকুত লগাকৈ ঠিক তেনেদৰে কিন্তু আমি আমাৰ জীৱনটোকো গঢ় দিব পাৰিব লাগিব আনৰ আৰ্দশ হিচাপে ৰৈ যোৱাকৈ। মানুহ হিচাপে আমাৰ এটা বেয়া অভ্যাস হ'ল- আনৰ জীৱনটোক নিৰিক্ষণ কৰা। আনৰ জীৱন নিৰিক্ষণ কৰোঁতে কৰোঁতে নিজৰো যে এটা সুন্দৰ জীৱন আছে আমি সেই কথা পাহৰিয়ে যাওঁ। জীৱনটো অতি সুন্দৰ তথা মূল্যৱান। কিন্তু ইয়াক নিজৰ নিজৰ জীৱনৰ ক্ষেত্ৰত সুন্দৰ কৰাটো আমাৰ দায়িত্ব। জীৱনৰ কোনো আকৃতি নাথাকে। জন্মৰ পৰা মৃত্যুৰ সময়ৰ এই মাজৰ কালছোৱাই আমাৰ জীৱনৰ আকৃতি হৈ পৰিব। আমি জীৱনটোক নিজৰ মতে আকৃতি দিব পাৰোঁ। জীৱনে আকৃতি লওঁতে বহু সময় লয়। সকলো মানুহৰে জীৱনৰ আকৃতি ভিন ভিন আমি যেনেদৰে জীৱনটো গঢ় দিম ঠিক তেনেদৰেই এদিন আমাৰ জীৱনটোৱে আকৃতি ল'ব। মানুহৰ জীৱনটো এটা বৃত্তৰ দৰেই বৃত্ত এটাই কেতিয়াও নিজৰ আকৃতি সলনি কৰি ত্ৰিভুজৰ আকৃতি ল'ব নোৱাৰে। ঠিক তেনেদৰে মানুহেও নিজ নিজ জীৱনৰ আকৃতি সলনি কৰি আন এজনৰ আকৃতি ল'ব নোৱাৰে। গতিকে নিজৰ নিজৰ চিন্তাধাৰাৰ আৰু অৰ্ধব্যৱসায়ৰ ফলত জীৱনটোক আকৃতি দিব পৰাটোৱে হৈ পৰিব আমাৰ বাবে কলাৰ সাধনা।

জীৱনবোধৰ কিছু প্ৰতিচ্ছবি



যমুনা দুলু বৈশ্য,শুৱালকুছি

জীৱনবোধৰ বাবে মন আবেগ
সেউজ বুলিয়া অংগৰাগ
মন মাজত তেজ উম
হৃদয়তন্ত্ৰীত স্পৰ্শে সময়ৰ সোঁত ।
মনৰ সন্তুষ্টিৰ বাবে নোৱাৰো
শাসনৰ বাঘজৰী আৱদ্ধৰে আশাবোৰ
দুটি মন-একশৰীৰ আত্মাৰে উটি যায়
সম্পৰ্কৰ জীৱন নাটৰ পৰিক্ৰমা ।
একাত্মক ভাৱ সৃষ্টিৰ অনুভৱৰ
তোমাৰ সেউজীয়াৰ বুকুত ৰক্তিম আভা
এজুৰি নয়নত আশ্ৰয় স্থল জীৱকূলৰ
মৌন ওঁঠৰ ক্ৰমশঃ ৰূপান্তৰিত শত বৃক্ষ।
উশাহ-নিশাহবোৰে অতৃপ্ত আত্মাত
চুই চাই ভাৱনাৰ ছন্দৰে সময়কে ধিয়াই
ব'ঠা বিহীন নৌকা কলৈ যাব কোনে ৰাখে খবৰ,
অহৈতুক অনাকাংক্ষিত জীৱন দৰ্শন।

Gender Equity in Digital Age

Uddipana Khataniar

Feminism as a concept has always confused a huge chunk of the population – either as a result of a veil of nuanced and intentional misinterpretation or as a thought structure failing to consider perspectives. As a young child, I was privileged enough to be unable to realize and recognize the deeply structural, societal and institutional prejudices and vices against girls and women. When I reached adolescence, I was exposed to a barrage of events and understandings that made the experience of transforming into womanhood a rather unbecoming metamorphosis. The intake of various forms of information under the wide category of discrimination against your sex and gender tends to create a bearer of empathy within you, as it did within me. As a young adult susceptible to being a part of pop culture (modern popular culture transmitted via the mass media and aimed especially at younger people) , the great treasury of opinions, thoughts, ideas can certainly be overwhelming. This attribute of being overwhelmed must be accompanied by the need of critical thinking and deep-seated analysis of every adoptable opinion that we frequently come across. Newer generations of the internet are being subjected to a rise of witnessing or participating in an extremely hostile attitude against women. This attitude makes space neither for a feeling of embarrassment to be the owner of such views nor for compassion. The ‘online world’ or the ‘cyber world’ is both surreptitiously and boldly slipping into the real and material world of ours through actions of individuals. Here, the term ‘individuals’ is used loosely as evidence suggests otherwise. The culture that is brewing this hostile and loathsome attitude against women is a collective involvement. The internet holds a bombardment of various forms of mass media that preach and preach the methods for achieving peak ' manhood ' by taking support of versatile sources that might make a rational person faint. These versatile acts of preaching, however, always hold a common denominator- eradicating the existence of free choice for women. This certain notion is a tangible reality for the women of Afghanistan, Iraq and certainly many other places. Under the Taliban rule, the women are constantly drowning in the quick sand of having their identities stripped away. Harrowing rules and laws imposed against women by the Taliban regime under the guise of religious teachings have caused the women to live in a state of unprecedented misery and unheard of oppression. Although not an official term, ‘ gender apartheid’ is an apt description of the condition of women in Afghanistan. Women are being ripped of respect and free choice by being refused of education, right to work, right to independence. Women are deprived of their identity as human beings. An anonymous female teacher in Afghanistan provides the outside world a brief glimpse of the condition of the women in Afghanistan: “In my province we had girls that could be singers, professors, athletes and politicians. Now we have nothing left. All of those talents were arrested, left the country, or now live in hiding. Families rush to marry their daughters because they are afraid the Taliban may take them for marriage. Most girls are forced to marry. This is a nightmare I never imagined to happen.”

When we talk of women, girls are also included by extension. Young girls do not only witness the horror of growing into a woman under these conditions but also experience the wrath of these inhumane rules. The Iraqi parliament is on the verge of passing a new law that would allow men to marry girls as young as nine years old by lowering the legal age of consent from 18 to 9 years old. Conservatives belonging to the Shia sect of Islam dominate the parliament and have proposed a revision of the ‘personal status law’. Critics opine that this law will be stripping women of all decisions. This law will facilitate young girls to be married off early and transfer all family decisions in the hands of religious authorities.

In the contemporary world where the struggle of women for identity and equity should be an aged concept, it still remains inside the chained constraints of an ideal reality. The digital dimension is a large part of our (the new generations) lives. The misogynistic and anti-women ideas that are polluting the internet are further polluting the impressionable minds. Actions are the fruits of the mind. The inflation of sexual violence cases committed by men of different age groups in the newer times is indeed an example of this. If we discuss in relation to the online world, the anti-women indoctrination through forms of mass media such as podcasts and videos is accelerated through lack of proper repercussions. The misogynistic and marginal criminal comments and opinions that are so openly shared by users of various social media platforms in forums and communities are enabled by anonymity and by implication, absence of consequences and accountability. These violent, anti-social ideas injected into a young man create an inhumane person which will prove to be a threat in the reformation of a balanced society.



One way to battle this eventuality is by regulating social media usage for young people. The Australian Government led by Anthony Albanese has implemented this by approving the Social Media Minimum Age bill on November 28, 2024. This law prevents children under 16 from accessing social media platforms such as Instagram, Facebook, Snapchat, etc setting a benchmark for jurisdictions across the world. “We must learn gender equity in order to map out a better functioning society as the newer generations. Gender equity endeavours to make gains equivalent for all citizens by being fair and balanced in resource allocation and opportunities. It entails the acknowledgment that women might not be on the same playing field as men due to past and present historical and societal disadvantages. We must eliminate the toxic culture that has materialised on the internet and that is in the process of constant evolution. Gender issues should be discussed in large groups constituting non-biased gender inclusion in order to not make it a topic of alienation and a subject of apathy. A society to look forward to will fade away into a distorted and incongruous world if we do not operate against the vanity of oppression promptly.

অসম চৰকাৰ
বিত্ত বিভাগ

অৰুণোদয় পখেক

১৫ – ২৮ ডিচেম্বৰ ২০২৪

নিৰপেক্ষ আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে যোগ্য বিবেচিত
পৰিয়ালসমূহক বিত্তীয় সাহায্য প্ৰদান

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সবলীকৰণৰ জৰিয়তে ৰূপান্তৰিত জীৱন

অৰুণোদয় আঁচনিৰ বাবে হিতাধিকাৰী বাছনিৰ উদ্দেশ্যে আয়োজিত দুসপ্তাহজোৰা কাৰ্যসূচী ‘অৰুণোদয় পখেক’

গাঁওসভাঃ যোগ্য হিতাধিকাৰী নিৰ্বাচন আৰু প্ৰমাণীকৰণৰ বাবে স্থানীয় সভাৰ আয়োজন

হিতাধিকাৰী তালিকাৰ খচৰা প্ৰস্তুতঃ অৰুণোদয় ৩.০ৰ নিৰ্দেশনা অনুসৰি হিতাধিকাৰীসকলক তালিকাভুক্ত কৰা হ'ব

JANASANYOG- 3508/24/22-Dec-24

যোগ্যতাৰ চৰ্ত

- আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে বৰ্তমান তেওঁ অসমতে বাস কৰাটো বাধ্যতামূলক
- আবেদনকাৰীৰ আধাৰ-সংযুক্ত বৈধ ৰেচন কাৰ্ড থকাটো জৰুৰী
- এখন ৰেচন কাৰ্ড – এগৰাকী অৰুণোদয় হিতাধিকাৰী

কোনে আবেদন কৰিব পাৰিব?

- বিধৱা, অবিবাহিতা (৪৫ বছৰ বয়সৰ উৰ্দ্ধৰ), বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলা
- তৃতীয় লিংগ
- লিংগ নিৰ্বিশেষে দিব্যাংগ ব্যক্তি (দিব্যাংগ ব্যক্তিৰ অধিকাৰ আইন, ২০১৬ অনুসৰি)
- চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বৃদ্ধা/ৰুগীয়া মহিলা
- পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী বৃদ্ধ (৬০ বছৰ বয়সৰ উৰ্দ্ধৰ) অথবা দিব্যাংগ হ'লে, তেনে ঘৰৰ মহিলা
- এইচ আই ভি/থেলাচেমিয়া/হিম'ফিলিয়া/চেৰিব্ৰেল পালচি/কুষ্ঠ/অ'টিজম স্পেকট্ৰাম বিকাৰত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা
- আশ্ৰয়হীন পৰিয়ালৰ মহিলা
- ভিক্ষাৰে জীৱন-নিৰ্বাহ কৰা মহিলা
- অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী
- মুঠ বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা

কোনে আবেদন কৰিব নোৱাৰিব?

- সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী সদস্য, কাৰ্যবাহী সদস্য, প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য, প্ৰাক্তন কাৰ্যবাহী সদস্যৰ পৰিয়াল
- পঞ্চায়তীৰাজ প্ৰতিষ্ঠান, নগৰীয়া স্থানীয় সংস্থা আৰু স্বায়ত্তশাসিত পৰিষদ/ষষ্ঠ অনুসূচীৰ অন্তৰ্গত গ্ৰাম্য পৰিষদ উন্নয়ন সমিতি (ভি চি ডি চি)ৰ বৰ্তমানৰ সদস্যৰ পৰিয়াল
- চিকিৎসক, অভিযন্তা, স্থাপত্যবিদ, চাৰ্টাৰ্ড একাউণ্টেণ্ট, বেংক বিষয়া, উকীলৰ পৰিয়াল
- বিশ্ববিদ্যালয়, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, কনিষ্ঠ মহাবিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পৰিয়াল (ঠিকাভিত্তিক/অস্থায়ী শিক্ষকক সামৰি)
- অংগনবাড়ী কৰ্মী, মধ্যাহ্ন ভোজন কৰ্মী, আশাকৰ্মী, আশা তত্ত্বাৱধায়ক তথা গাঁও প্ৰধানকে ধৰি যিকোনো চৰকাৰী নিয়মীয়া কৰ্মচাৰী, পেঞ্চনাৰ অথবা ঠিকাভিত্তিক কৰ্মচাৰীৰ পৰিয়াল
- আয়কৰ পৰিশোধ কৰা চৰকাৰী ঠিকাদাৰ আৰু যোগনিয়াৰ, ৰিয়েল ইষ্টেট বিক্ৰেতা, উদ্যোগপতি, ব্যৱসায়ৰ অনুজ্ঞা-পত্ৰপ্ৰাপ্ত ব্যক্তিৰ পৰিয়াল
- আয়কৰ পৰিশোধ কৰা ব্যৱসায়ী/উদ্যোগী, দোকানী, বেপাৰীৰ পৰিয়াল
- ভূমিৰ অধিকাৰী (ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ বাহিৰে) পৰিয়াল
- চাৰিচকীয়া মটৰ বাহন থকা পৰিয়াল
- অৰুণোদয় প্ৰাপ্ত অথবা তেনেধৰণৰ আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ পৰা অৰুণোদয় ৩.০ৰ ধনৰাশিৰ সমপৰিমাণৰ অথবা তাতকৈ অধিক পৰিমাণৰ ধন লাভ কৰা পৰিয়াল
- ‘ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩'ৰ অধীনত অসম খাদ্য সুৰক্ষা বিধিৰ দ্বাৰা নিৰ্ধাৰিত আয়তকৈ অধিক আয় থকা পৰিয়াল

১ সক্ৰিয় অংশগ্ৰহণ
স্থানীয়
গাঁওসভাত অংশ লওক

২ বিৱৰণৰ প্ৰমাণীকৰণ
প্ৰকৃত হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত সহায় আগবঢ়াওক

৩ বাৰ্তা প্ৰচাৰ
সভাখনৰ বিষয়ে আপোনাৰ অঞ্চলৰ আন বাইজকো অৱগত কৰক

সবিশেষ জানিবলৈ
স্থানীয় গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক

https://finance.assam.gov.in @assamfindept

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

অনলাইন শিক্ষাৰ লাভ আৰু লোকচান

ONLINE
EDUCATION

নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

মোবাইল ফোন হ'ল দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ। দূৰ সংযোগৰ বাবে ব্যৱহৃত এক যান্ত্ৰিক সঁজুলি। ইয়াৰ অবিহনে আজি মানৱ জীৱন প্ৰায় অচলৰ দৰে, কল্পনাতীত।

কৰুনা মহামাৰীৰ পিছৰে পৰা শিক্ষাৰ্থী সকলৰ মাজত মোবাইল ফোনৰ ব্যৱহাৰ দ্ৰুত গতিত বৃদ্ধি পাইছে। অনলাইন শিক্ষাৰ পাতনিৰ যোগেদি ঘৰত বহিয়েই শিক্ষা লাভ কৰাৰ দৰে এক সুন্দৰ পদক্ষেপ চৰকাৰে হাতত লৈছিল যদিও আজিও ইয়াৰ প্ৰভাৱ হ্ৰাস পোৱাৰ নাম লোৱা নাই। এই ব্যৱস্থাৰ জৰিয়তে ছাত্ৰ সমাজ বহু প্ৰকাৰে লাভৱান হৈছে যদিওঁ তেওঁলোকৰ মাজত পিছলৈ এলাহ ভাৱ এটাই গা কৰি উঠিছে। সকলো বোৰ সহজলভ্য হোৱাৰ বাবে ইয়াৰ আচল মহত্ব, গুৰুত্ব খিনি পাহৰি গৈছে।

অনুশীলনীৰ লগতে পাঠভিত্তিক প্ৰশ্নৰ উত্তৰসমূহ পাঠটি ভালদৰে পঢ়ি বুজি লৈ বিচাৰি উলিওৱা টো তেঁওলোকৰ বাবে টান হৈ পৰিছে। তাৰ নিমিত্তে ফোনত ইউটিউব বা গুগল এপটি উলিয়াই লৈ বিনা পৰিশ্ৰমত সকলো সহজেই লাভ কৰে।

এইয়াই আমাক সময় নষ্ট হোৱাৰ পৰা নিশ্চয় বিৰত ৰাখিছে, কিন্তু ই আমাক চমু পথ অনুসৰণ কৰাত আসক্ত কৰি তোলা নাই জানো? যিকোনো প্ৰকাৰৰ কাৰ্য কলাপৰ সমাধান বিচাৰি আমি ফোনৰ ওচৰ চাপি যাওঁ। কষ্টৰে বিচাৰি লোৱাৰ বাবে ধৰ্য্য বা ইচ্ছা শক্তি ক্ৰমশঃ লোপ পাইছে।

অনলাইন শিক্ষাই আমাক বহুতো প্ৰকাৰে সহায় কৰিছে। লাভ হৈছে আমাৰ দৈনন্দিন জীৱন পথত। কষ্ট নকৰাকৈয়ে ৰূমৰ ভিতৰত বহিয়েই মোবাইল বা কম্পিউটাৰৰ জৰিয়তে আমি অনলাইন যোগে শিক্ষা গ্ৰহণ কৰিব পাৰোঁ। মেডিকেল, ইঞ্জিনিয়াৰৰ দৰে উচ্চ শিক্ষাৰ কচিং বোৰে অনলাইন শিক্ষা প্ৰদান কৰি কম খৰছত দেশৰ ভৱিষ্যতৰ বীজ ৰোপণ কৰে। প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰে আমাৰ মাজত অনলাইন শিক্ষাৰ ধাউতি আৰু আগ্ৰহ ক্ৰমান্নয়ে বৃদ্ধি কৰিছে। সমাজ কল্যাণৰ বাবে ই এক সুন্দৰ পদক্ষেপ।

আনহাতে অনলাইন শিক্ষাৰ প্ৰয়োগে ছাত্ৰ- ছাত্ৰীৰ মাজত কিতাপৰ চাহিদা দিনক দিনে হ্ৰাস পাবলৈ ধৰিছে। কিতাপৰ শাৰী শাৰীকৈ থকা বাক্য সমূহ পঢ়াৰ পৰিৱৰ্তে তেঁওলোকে অনলাইন ক্লাছৰ ৰঙীণ স্ক্ৰীন খন বাচি লয়। ইয়াৰ পৰা তেওঁলোকৰ চকু দুটাত প্ৰভাৱ পৰে। কম বয়সতে চচমাৰ সহায় ল'ব লগা হৈ পৰে। তেঁওলোকে কষ্ট, সাধনা, চেষ্টা, আদিৰ পৰা আঁতৰি থাকে, ফালৰি কাটে।

গতিকে সহজৰ পিছে পিছে দৌৰি নুফুৰি জটিলতাৰ লগত যোগ দি জয়ী হোৱাৰ দৰে সাহস আৰু বুদ্ধিমত্তাৰ প্ৰয়োজন। স্বাস্থ্য ভালে থকাৰ লগতে জ্ঞানৰ পৰিসৰ বৃদ্ধিও হ'ব। অনলাইন শিক্ষাৰ লগতে কিতাপ পঢ়াৰ প্ৰতিও আকৰ্ষণ বৃদ্ধি কৰিব লাগিব।

যোৱাখণ্ডৰ পৰা..

শুনি-দেখি-বুজি

জ্যোতি খাটনিয়াৰ

কোজেভ আৰু ছাৰ্ত্ৰেৰ বক্তৃতাই যদি দৰ্শন আৰু ৰাজনীতিৰ জগতত গভীৰ প্ৰভাৱ পেলাইছে, তেনেহলে মহান বিজ্ঞানী মাইকেল ফেৰাডে আৰু জাৰ্মান গণিতজ্ঞ বাৰ্ণাৰ্ড ৰীমানে দিয়া দুটা বক্তৃতাই প্ৰকৃতিৰ স্বৰূপ সম্পৰ্কে বুজাৰ আমাৰ দুটা প্ৰধান সজুঁলি বা ধাৰণাৰ যোগান ধৰিছে। মাইকেল ফেৰাডেই লণ্ডনৰ ৰয়েল ইনষ্টিটিউছনত দিয়া বক্তৃতাই (১৮৪৬)জন্ম দিয়া ক্ষেত্ৰ (field) ৰ ধাৰণা মানৱ চিন্তাৰ এক বিশেষ দিশ। গণিতত বিশেষ পাৰদৰ্শিতা নথকা বাবে ফেৰাডেই এই ক্ষেত্ৰৰ ধাৰণাটোক পৰিপূৰ্ণভাৱে বিকশিত কৰিব পৰা নাছিল। পৰৱৰ্তী সময়ত বিজ্ঞানী মেক্সৱেলে ইয়াৰ বাবে প্ৰয়োজনীয় সমীকৰণ তৈয়াৰ কৰি লয়। এই ক্ষেত্ৰৰ ধাৰণাক আধুনিক চিন্তাৰ এক গুৰুত্বপূৰ্ণ অংগ বুলি ধৰা হয়। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ তাত্বিক পদাৰ্থবিজ্ঞানৰ অধ্যাপক ডেভিদ টঙে ফেৰাডেই বক্তৃতা দিয়া একেখন মঞ্চতে The Real Building Blocks of the Universe শীৰ্ষক বক্তৃতাত ফেৰাডেৰ Lines of Four - বল ৰেখাৰ ধাৰণাটোৱে জগতৰ স্বৰূপ বুজাত আমাক কিদৰে সহায় কৰে, তাৰ বিষয়ে বিতংকৈ দেখুৱাইছে। ১৯২০ ৰ দশকত হাইজেনবাৰ্গ আৰু শ্ৰোডিনজাৰে কোৱান্টাম ধাৰণাৰ বিকাশৰ যোগেদি এক নতুন অধ্যয়নৰ পাতনি মেলে। কোৱান্টাম হল খণ্ডিত ৰূপৰ সৈতে সংলগ্ন ধাৰণা (discreet)। শক্তি এনে খণ্ডিত ৰূপ। আনহাতে মাইকেল ফেৰাডেৰ ক্ষেত্ৰৰ ধাৰণাটো অবিচ্ছিন্ন (continuous)। এই দুটা ধাৰণাৰ মাজত সংযোগ স্থাপনৰ প্ৰয়াসৰ পৰাই কোৱান্টাম ক্ষেত্ৰ তত্ত্বৰ জন্ম। আনহাতে ৰীমানৰ বক্তৃতাত আপাততঃ এই ধাৰণাৰ সৈতে সংলগ্ন নথকা এটা বিষয় জড়িত হৈ আছে। সেইটো হ'ল ইউক্লিডৰ জ্যামিতিৰ পঞ্চমটো স্বীকাৰ্য্য মানি নল'লে জ্যামিতিৰ কেনেকুৱা এখন জগতৰ বিষয়ে জানিব পৰা যাব। ইউক্লিডৰ পঞ্চম স্বীকাৰ্য্যই কয় যে সমতল এখনত এডাল প্ৰদত্ত ৰেখাৰ ওপৰত নথকা বিন্দু এটাৰ মাজেৰে সেই ৰেখা ডালৰ সাপেক্ষে সমান্তৰালভাৱে মাত্ৰ এডালহে সৰল ৰেখা অংকন কৰিব পাৰি। ইউক্লিডৰ জ্যামিতিৰ এই স্বীকাৰ্য্যটো লৈ বহুতো গণিতজ্ঞৰ সন্দেহ আছিল। ৰীমানে গণিতৰ ৰাজকোঁৱৰ খ্যাত ফ্ৰেডেৰিখ গাউছৰ আমন্ত্ৰণ ক্ৰমে ১৮৫৪ চনৰ ১০ জুনত গটিনজেনত এটা বক্তৃতা প্ৰদান কৰে। এই বক্তৃতাত তেওঁ জ্যামিতিৰ এখন নতুন জগতৰ পাতনি মেলে। স্থানৰ বক্ৰতাৰ ধাৰণাৰ সৈতে এই জ্যামিতি বিশেষভাৱে জড়িত। উল্লেখ্য যে, এই আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ আলোচনাত ৰীমানৰ জ্যামিতিৰ ভূমিকা প্ৰধান।

একেদৰে কথা কোৱা আৰু শুনাৰ পৰা জ্ঞানৰ যদি বিশেষ প্ৰগতি হৈছে, তেনেহলে চিত্ৰ প্ৰদৰ্শনী (painting exhibition) য়ে আধুনিক চিন্তাক গভীৰভাৱে প্ৰভাৱিত কৰিছে। যেনে, লণ্ডনৰ গ্ৰেফটন গেলাৰিজত ৰজাৰ ফ্ৰাইয়ে নেতৃত্ব দিয়া ৮ নৱেম্বৰ ১০১০- ১১ জানুৱাৰী ১৯১১ আৰু ৫ অক্টোবৰ - ৩১ ডিচেম্বৰ ১৯১২ সময়চোৱাৰ শিল্প প্ৰদৰ্শনী দুখন। এই প্ৰদৰ্শনীত পল চেজান, পল গ'গাঁ, মাটিছ আৰু ভেন গঘৰ ছবি প্ৰদৰ্শিত হৈছিল। এইবোৰে দৰ্শকৰ মনত এনে প্ৰভাৱ পেলাইছিল যে পৰৱৰ্তী সময়ত বিখ্যাত ঔপন্যাসিক ভাৰ্জিনিয়া বুলফে ১৯১০ চনৰ ডিচেম্বৰ মাহৰ আশে পাশে মানৱ প্ৰকৃতি চিৰদিনৰ বাবে সলনি হ'ল বুলি মন্তব্য কৰিছিল। ভাৰ্জিনিয়া বুলফৰ এই উক্তিটোৰ দৰাচলতে সকলো বিখ্যাত বক্তৃতা আৰু প্ৰভাৱশীল চিত্ৰ প্ৰদৰ্শনীৰ সৈতে জড়িত কৰিব পাৰি। আলেকজেণ্ডাৰ কোজেভ, জাঁ পল ছাৰ্ত্ৰে মাইকেল ফেৰাডে, ৰীমানৰ বক্তৃতা বা ৰজাৰ ফ্ৰাইয়ে আয়োজন কৰা চিত্ৰ প্ৰদৰ্শনী- এই সকলোবোৰে উদ্ৰেক কৰা চিন্তা আৰু পৰিবেশে মানুহক কিদৰে অহৰহ চুই আছে, সেয়া ভাবিলেই গভীৰ শিহৰণ জাগে। ফেৰাডেৰ কেইটামান চুটি চুটি বক্তৃতাই কিদৰে আজিৰ মোবাইল ফোনলৈকে আৱিষ্কাৰৰ বাট খুলি দিলে, সেয়া বৈজ্ঞানিক চিন্তাৰ অপাৰ শক্তিৰ একো একোটা পৰিচয়। বিজ্ঞান আৰু শিল্পৰ বিকাশ আৰু কল্পনাৰ বিস্তাৰত দেখা, শুনা আৰু বুজাৰ বহল ভূমিকা আছে।

সৰিপৰা মানেইতো কেৱল বিষাদ নহয়



দেৱজিৎ হাজৰিকা, বৰপথাৰ, গোলাঘাট

সৰিপৰা মানেইতো কেৱল বিষাদ নহয়
সেইয়া শেৱালিয়ে জানে..
তলসৰা শেৱালীও কবিতা ৰছে
শেৱালিৰ ফুলক সুধিবা চোন...
নিয়ৰৰ পৰসত দুৱৰিৰ সতে
জীৱন সেযৰ হাহোন
কিদৰে মাৰে...।
মই অনুভৱ কৰো...
তোমাৰ প্ৰতিটো পাহিৰ
মৌনতাৰ শোকত
মোৰ বুকু ৰিম ৰিম কৈ বিষাই

শূণ্যতা

মিহিৰ মৌচুম ৰয়

নিঃসঙ্গ বেলিটো ওলমি থাকে
বিয়লি
ঠিকনা হেৰুৱাই নিঠৰুৱা বতাহজাক
স্থৱিৰ হৈ ৰৈ যায়
সন্ধিয়া
ওৰেটো জীৱন প্ৰতিপানেৰে জীপাল পথাৰখন
বানৰ গচকত থানবান
শূণ্যতাৰে নিঃসংগ জীৱন।

How Indigenous Knowledge and Technology can play a crucial role in the Sustainable Development of Northeast India

Prakritish Bhattacharyya

For a place and for a region like Northeast India which is so rich in Biodiversity and for it's Natural elements the conservation and protection of it becomes a key aspect. In the times of rapid Globalisation, Urbanisation, and fast paced developmental activities taking place so brisklyin the forms of building Infrastructures, Transportation routes like construction of Roadways, setting up of new Railway Lines for better connectivity, setting up of Bridges and various other developmental related projects it becomes very important that while the developmental process takes place it causes no harm to the Natural Landscapes, the Forest cover, the Flora and the Fauna of the region, and also to the people living close nearby the area of the forest and the hills which are the Natives and the Tribes. The need for Sustainable Development without harming the Environment, the Biodiversity and to the native people is the need of the hour.Developmental Activities are the catalyst of growth and prosperity for a region and they are the drivers of Economic Progress so these activities are also should not be viewed as bad, but the development should take place in such a manner that it takes care of various factors such as the Environment, the Flora and the Fauna of a region, the specific nature of the Geographical Location, the people living nearby and various other factors.

To tackle these challenges and for the Sustainable Development of Northeast India the role of Indigenous Knowledge and Technology must be considered seriously and steps should also be taken by the Government and Organisation Level to promote Indigenous Knowledge and that these Indigenous Knowledge and Technology are also implemented in various of it's projects along with the Modern Technologies and Modern Scientific Knowledge.

The Modern Western Knowledge terms Indigenous Knowledge merely as Traditional Ecological Knowledge of the Natives and their Ancestors. However it should be recognised importantly thatas said by the renowned Environmental and Indigenous Consultant Albert Wiggan in one of his speechesthat Indigenous Knowledge are not just merely Traditional Ecological Knowledge of the Natives and their Ancestors but they are also Indigenous Science and can be also referred to as Indigenous Technology, as the foundation of this Knowledge was developed through the same principles as Modern Western Knowledge which are Observation, Experimentation and Analysis. The Modern Scientific Knowledge are the results of Observation of elements and factors which are studied , then Experimentation which occurs in various ways and processes before it shows a satisfactory outcome and at last Analysis which is done to study and understand the whole process in depth. The same rules of Observation, Experimentation and Analysis are present in the Indigenous Knowledge and they were developed by following the same foundation. Hence the Indigenous Knowledge are not just Knowledge but are also Age Old Technologies. For the purpose of Sustainable Development of the North East Region of India bringing together both the Modern Scientific Technologies and Indigenous Knowledge and Technologies will play a significant and a crucial role.

The United Nations Conference on Environment and Development (UNCED) which was held at Rio in June 1992 recognises the fact that for effective Sustainable Development of a particular region the Indigenous Knowledge of that particular region should be given due importance as they have the knowledge of the critical nature of their local environment and the ecologically sustainable knowledge, techniques and approaches. Hence the role of Indigenous Knowledge and Technologies can add value and can contribute substantially in Sustainable Developmental Practices and Approaches.

Next Issue

পৰিভ্ৰমী চৰাইৰ কথা

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও

শীতকাল অহাৰ লগে লগে আমি বিভিন্ন চৰাই দেখিবলৈ পাওঁ। ঋতু অনুসৰি জলবায়ু পৰিৱৰ্তন হোৱা বাবে প্ৰাকৃতিক আবাসস্থলীত শীতৰ মাত্ৰা বৃদ্ধি হৈ অনুকূল পৰিৱেশ নোহোৱাৰ বাবে কিছুমান চৰায়ে খাদ্যবস্তু, বাসস্থান, প্ৰজনন আদিৰ বাবে বিভিন্ন অঞ্চললৈ উৰা মাৰে। এনেদৰে যোৱা চৰাইক পৰিভ্ৰমী চৰাই বুলি কোৱা হয়। শীতকাল যোৱাৰ পাছত এইবোৰ চৰাই পুনৰাই নিজৰ ঠাইলৈ ঘূৰি যায়। আটাইতকৈ দীঘলীয়া দূৰত্ব অতিক্ৰম কৰা চৰাইবিধ হৈছে আৰ্কটিক টাৰ্ন নামৰ গঙা চিলনীজাতীয় চৰাইবিধ। এই চৰাই বিধে সুমেৰু ৰ পৰা কুমেৰু লৈ প্ৰতিটো শীততে পৰিভ্ৰমণ কৰে আৰু গ্ৰীষ্মকালত উভতি আহে। বেছি ভাগ চৰায়ে উৰিয়েই পৰিভ্ৰমণ কৰে যদিও কিছুমানে সাঁতুৰি বা খোজকাঢ়িয়ো পৰিভ্ৰমণ কৰে। পেংগুইনে সাঁতুৰি বহুদূৰ অতিক্ৰম কৰে।

বিশ্বৰ আটাইতকৈ চমু পথৰ পৰিভ্ৰমী চৰাই বিধ হৈছে উত্তৰ আমেৰিকাৰ ব্লুগ্ৰাউজ নামৰ কুকুৰাজাতীয় চৰাই বিধ।ৰকি পৰ্বতমালাৰ পৰ্ণপাতী অৰণ্যত বাস কৰা এইবিধ চৰায়ে শীতকালত সাগৰপৃষ্ঠৰ পৰা অধিক উচ্চতাৰ পৰ্বতসমূহত থকা সৰল গছৰ বনাঞ্চললৈ মাত্ৰ ৩০০ মিটাৰ পৰিভ্ৰমণ কৰি চমুপথৰ পৰিভ্ৰমী চৰাই হিচাপে গীণিজ বুকত স্থান পাইছে।

অসমলৈ অহা বিশ্বৰ আটাইতকৈ দীঘলীয়া আৰু সৰ্বোচ্চ উচ্চতাত পৰিভ্ৰমণ কৰা চৰাইবিধ হৈছে ধৃতিৰাজ নামৰ বনৰীয়া হাঁহবিধ।এইবিধ হাঁহে সুদুৰ ৰাছিয়াৰ পৰা অসমকে ধৰি ভাৰতৰ অন্যান্য ঠাইবোৰলৈ সুউচ্চ হিমালয় পৰ্বতমালা উৰি পাৰ হৈ আহে। প্ৰতিবছৰে নৱেম্বৰ - ডিচেম্বৰ মাহত ধৃতিৰাজ হাঁহৰ জাক অসম পায়হি আৰু মাৰ্চ মাহৰ ভিতৰত পুনৰ উভতি যায়। অসমলৈ অহা অন্যান্য পৰিভ্ৰমী চৰাইৰ ভিতৰত বিভিন্ন হাঁহৰ প্ৰজাতি যেনে দীঘল নেজীয়া, চাকৈ-চকোৱা, কলীমূৰী হাঁহ, খন্তীয়া হাঁহ আৰু অন্যান্য চৰাই যেনে বগা বালিমাহী, বগাঢেৰা, বৰবালি বগুৰা, লৰীয়তী, ৰামপাৰ, গলমণিকা নাচনী আদি।

পৰিভ্ৰমী চৰাইৰ বাট বিচৰা কৌশল অভিনৱ। শ শ মাইল অতিক্ৰম কৰি পুনৰ একে ঠাইলৈ উভতি আহে। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ পৰা জানিব পৰা গৈছে যে চৰায়ে পৃথিৱীৰ চুম্বকীয় ক্ষেত্ৰ আৰু সৌৰকম্পাচৰ সহায়ত ঠাই সমূহ চিনি উলিয়ায়। অৱশ্যে এই গৱেষণাৰ এতিয়াও অন্ত পৰা নাই।

গণশিল্পী সূৰ্য দাস আৰু নাই

অসম তোলপাৰ লগোৱা অসমীয়া জাতিৰ অন্যতম সুহৃদ শিল্পী সূৰ্য দাসৰ মৃত্যুৰ লগে লগে স্তব্ধ হৈ পৰিল জাতীয় চেতনাক উদ্বুদ্ধ কৰা উদাত্ত কণ্ঠ। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ। ‘৬০ৰ দশকত ‘মানুহ দেখিছোঁ আজি বহুত মানুহ’ শীৰ্ষক গীতেৰে শ্ৰোতা-দৰ্শকৰ হৃদয়ত নিগাজি আসন দখল কৰা গণশিল্পী সূৰ্য দাসৰ জন্ম হৈছিল নগাঁও জিলাৰ কামপুৰৰ তেতেলিসৰা গাঁৱত ১৯৪০ চনৰ ৩১ জুলাইত। অঞ্চলটোৰ কৃষক তথা লেৰেলা মহাজন নামেৰে সৰ্বজনবিদিত জিউৰাম দাস আৰু পোনেশ্বৰী দাসৰ সন্তান আছিল গণশিল্পী সূৰ্য দাস। গণশিল্পী হিচাপে অভিধা লাভ কৰা সূৰ্য দাসে জীৱন কালত বহু বঁটা, সন্মানেৰে বিভূষিত হৈছিল। তেওঁ লাভ কৰিছিল অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা শিল্পী বঁটা, কৰম সিং জনমভূমি বঁটা, সুৰৰত্ন যজ্ঞ বেজবৰুৱা স্মৃতি বঁটা, সংগীত-প্ৰদীপ উপাধিৰ লগতে ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ বঁটাৰ দ্বাৰাও সন্মানিত হৈছিল। কামপুৰৰ সাংস্কৃতিক জগতখনৰ সৈতে সুসম্পৰ্ক ৰক্ষা কৰি চলা গণশিল্পীগৰাকীক কামপুৰৰ কেইবাটাও সংগঠনে বাহু কৈৱৰ্ত বঁটা, নিশাৰী বঁটা, কপিলী বঁটা ইত্যাদি বিভিন্ন বঁটাৰে সন্মানিত কৰিছে। যোৱাকালি পুৱা ৮ বজাত ডাঙৰ জীয়াৰী ৰশ্মি দাসৰ মৰিগাঁওস্থিত বাসগৃহত থকা অৱস্থাতে স্নানাগাৰলৈ যাবলৈ ওলোৱাত অকাস্মতে অসুস্থ হৈ মজিয়াত তেওঁ ঢলি পৰে। পৰিয়ালৰ লোকে লগে লগে তেওঁক মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে ইতিমধ্যে তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। ঘটনাটোৰ পাছতে মৰিগাঁও জিলা আযুক্ত দেবাশিস শৰ্মাই চিকিৎসালয়ত উপস্থিত হৈ শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তাৰ পিছতে তেওঁৰ মৃতদেহ মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা আনি মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ঐতিহ্যমণ্ডিত গান্ধী ভৱনত ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। তাৰ পিছত অসম গণ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ কাৰ্যালয়লৈ মৃতদেহটো নিয়া হয়। তাতেই অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক শান্তনু শৰ্মাৰ নেতৃত্বত দলটোৰ নেতা-কৰ্মীসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পাছতে তেওঁৰ মৃতদেহ নিউ গুৱাহাটীৰ গণেশ মন্দিৰ পথৰ ২নং বাইলেনৰ ইষ্টাৰ্ন এনক্লেভ এপাৰ্টমেন্টতৰ বাসভৱনলৈ নিয়া হয়। তাতেও বহু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত সন্ধিয়া নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। পুত্ৰ স্পন্দন দাসে মৃতদেহত মুখাগ্নি কৰে। উল্লেখ্য যে গণশিল্পীগৰাকীয়ে মৃত্যুৰ সময়ত পত্নী মঞ্জুমালা দাস, দুই জীয়ৰী, জোঁৱাই, একমাত্ৰ পুত্ৰ-বোৱাৰীসহ অনেক আত্মীয়-স্বজনক ইহ সংসাৰত এৰি গৈছে। গণশিল্পী সূৰ্য দাসৰ মৃত্যুত শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে কয় যে এগৰাকী অতি উদাৰ মনৰ বিশাল ব্যক্তিত্ব গণশিল্পী সূৰ্য দাসৰ গীতসমূহত আমি বিশেষকৈ বিচাৰি পাইছিলোঁ মানৱতাৰ কথা। শিল্পীগৰাকীৰ প্ৰয়াণ অসমৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে বৃহৎ ক্ষতি। মুখ্যমন্ত্ৰীয়ে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। গণশিল্পী সূৰ্য দাসৰ মৃত্যুত শোক প্ৰকাশ কৰিছে ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বড়া, অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, মন্ত্ৰী ৰঞ্জিত দাসকে ধৰি বিভিন্নজনে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও গণশিল্পী সূৰ্য দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

অসমত সম্পূৰ্ণৰূপে নিষিদ্ধ

বুলবুলি চৰাইৰ যুঁজ আদিৰ বিৰোধিতা কৰি আহিছিল পেটা ইণ্ডিয়াই। তেওঁলোকে অভিযোগ কৰিছিল যে এনে যুঁজৰ পূৰ্বে সাজু কৰি তোলাৰ বাবে ম’হ আৰু বুলবুলি চৰাইৰ ওপৰত বিভিন্ন ধৰণে নিৰ্যাতন চলোৱা হয়। বিশেষকৈ বুলবুলি চৰাইসমূহক খাদ্যৰ সৈতে কিছু নিচাযুক্ত সামগ্ৰী সেৱন কৰোৱাই যুঁজৰ বাবে উত্তেজিত কৰা হয় বুলিও তেওঁলোকে অভিযোগ উত্থাপন কৰে। সংস্থাটোৰ মতে, এনে পৰম্পৰাগত যুঁজ অনুষ্ঠিত কৰি পশুৰ ওপৰত নিৰ্যাতন চলাই আহিছে। যিটো আইনীভাৱে দণ্ডনীয়। যাৰ পৰিপ্ৰেক্ষিতত তেওঁলোক ইয়াৰ পূৰ্বেও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ে ম’হযুঁজ, বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কিছু বাধ্য-বাধকতা আৰোপ কৰিছিল। অৱশ্যে মাঘ বিহুৰ সময়ত পৰম্পৰাগতভাৱে চলি অহা এই যুঁজসমূহ অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰে অনুমতি প্ৰদান কৰাৰ লগতে এখন এছঅ’পিও প্ৰকাশ কৰে। ২০২৩ বৰ্ষৰ ২৭ ডিচেম্বৰত ৰাজ্য চৰকাৰে ম’হযুঁজ, বুলবলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাৰ বাবে বিশেষ এছঅ’পিখন জাৰি কৰে। এই এছঅ’পিৰ ভিত্তিতেই বিগত বৰ্ষত হাজো, আঁহতগুৰি আদিৰ লগতে বিভিন্ন স্থানত পৰম্পৰাগত ম’হযুঁজ, বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত ৰাজ্য চৰকাৰে জাৰি কৰা এই এছঅ’পিখনক প্ৰত্যাহ্বান জনাই পেটা ইণ্ডিয়াই পুনৰ এখন আবেদন দাখিল কৰে। এই আবেদনখনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠখনে ৰাজ্য চৰকাৰৰ এছঅ’পি খাৰিজ কৰে।

ডিব্ৰুগড়ত ৰাইজৰ দলত

জাতীয় পৰিষদ যদি একলগ হয়, উজনি অসমত ধুমুহাৰ সৃষ্টিহৈ যাব। মই নিজেই লুৰিণজ্যোতি গগৈক সভাপতি পাতি দিছিলো, পৃথিৱীত কোনোবা লিডাৰে এনে কৰে নেকি, যি নিজে সদস্য হৈ আনক সভাপতি পাতি দিয়ে, কিন্তু এই কাম মই কৰিছিলো। লুৰিণজ্যোতিহঁতে চুলিৰ দৰে সৰু সৰু খুটি-নাতি বিলাক উলিয়াই আছে, এইবিলাক উলিয়াই লাভ নাই। ভূপেন বৰাই অখিলে বিজেপিৰ দৰে গালি পাৰি থকা বুলি কৰা মন্তব্যতো অখিলৰ প্ৰতিক্ৰিয়াঃমই গালি পৰা নাই, অখিলে ক’লে তোমালোকে কোৱা বিজেপিৰ বিৰুদ্ধে একেলগ হ’ব লাগে কিন্তু তোমালোকে উপ-নিৰ্বাচন অকলে খেলা, পঞ্চায়ত নিৰ্বাচন অকলে খেলা, লোকসভাতো আনৰ বাবে এখন আসনহে এৰি দিয়া। যদি লোকসভাৰ ১৩ টা সমষ্টিতে নিজে নিৰ্বাচন খেলা, তেন্তে তোমালোকে কেনেকৈ বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ হ’ম ভাবিছা? কংগ্ৰেছে ক’ব লাগে ২০২৬ চনৰ নিৰ্বাচনত যদি বিজেপিক হৰুৱাব মন আছে তেন্তে পঞ্চায়ত নিৰ্বাচন একেলগে খেলিব লাগিব নে নাই? কংগ্ৰেছে, এম পি নিৰ্বাচনত অধিকাংশ হাৰিলে, উপ নিৰ্বাচন হাৰিলে তেন্তে পঞ্চায়ত একেলগে খেলিব লাগিব নে নাই? মই ভূপেন বৰাক দৃঢ়তাৰে কওঁ, বিজেপিক পৃথিৱীৰ ভিতৰত মোতকৈ বেছি বেয়া পোৱা মানুহ কোনো নাই। সেয়েহে এই মুহূৰ্তত আমি যদি ঐক্যবদ্ধ নহওঁ, আমি ২০২৬ত বিজেপিক হৰুৱাব নোৱাৰোঁ। এই কথাটো কোৱাতো যদি বিজেপিৰ পক্ষ লোৱা বুজায়, তেতিয়া হ’লে উপায় নাই আৰু। মই ভূপেন বৰাৰ পৰা এটাই উত্তৰ বিচাৰিছো যে আপোনালোকে পঞ্চায়ত নিৰ্বাচন একেলগে খিলিব নে নেখেলে? যদি নেখেলে তেন্তে আপোনালোকে বিজেপিক সহায় কৰিব।

ডাউন টাউন বিশ্ববিদ্যালয়ৰ

কৰে শিক্ষামন্ত্ৰীগৰাকীয়ে। এই কনক্লেভত ‘শিক্ষা আৰু সহজাত দক্ষতা’ আৰু ‘শিক্ষাত প্ৰযুক্তি’ শীৰ্ষক দুখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা-চক্ৰত ঋত্বিক ৰূপম শৰ্মা, ড° সঞ্জীৱ কুমাৰ গোস্বামী, ড° গান্ধী নায়ক, অঞ্জন চৌধুৰী, ড° হীতেন চৌধুৰী, ড° তছৱীনা ইকবাল, সৌভিক দাস, ভাৰ্গৱ ৰণদীপ, দীপক গোস্বামীকে ধৰি কেইবাগৰাকী সমল ব্যক্তিয়ে ভাষণ দিয়ে। এই অনুষ্ঠানতে বিগত বৰ্ষত আগবঢ়াই অহাৰ দৰে এই বৰ্ষৰ বীৰকুছিৰ মাৰীয়া পাব্লিক স্কুলৰ গণিত বিভাগৰ শিক্ষক ড° মুনীন্দ্ৰ কুমাৰ মজুমদাৰক শ্ৰেষ্ঠ শিক্ষক বঁটা আৰু পামহিৰ অক্ষয় ফাউণ্ডেচনক বিশেষ বঁটা প্ৰদান কৰা হয়। এই বঁটাত ক্ৰমে এক লাখ আৰু পঞ্চাশ হাজাৰ নগদ ধন প্ৰদান কৰে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ আচাৰ্য ডাঃ নৰেন্দ্ৰ নাথ দত্ত, উপাচাৰ্য ড° নাৰায়ণ চন্দ্ৰ তালুকদাৰ, প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীৰ উপৰি ৰাজ্যৰ লগতে উত্তৰ-পূব আৰু চুবুৰীয়া নেপাল আৰু ভূটানৰ প্ৰতিনিধিও উপস্থিত থাকে।

‘ইণ্ডিয়া ষ্টেট অৱ ফৰেষ্ট

(১০, ৫৮৭ বঃকিঃ) আৰু ত্ৰিপুৰা (১১, ৬৯০ বঃকিঃ)। এই তিনিখন ৰাজ্যৰ বাহিৰে অন্ধ্ৰপ্ৰদেশ আৰু গুজৰাটৰ বনাঞ্চলো হ্ৰাস পাইছে। মাত্ৰ দুবছৰৰ ব্যৱধানত অসমৰ ৮, ৬৬৬ বঃকিঃ বনভূমি হ্ৰাস পোৱাটো যথেষ্ট উদ্বেগজনক হিচাপে বিবেচিত হৈছে। আনহাতে যোৱা দুই বছৰত বনাঞ্চল সৰ্বাধিক বৃদ্ধি পোৱা ৰাজ্যখন হৈছে মিজোৰাম। মিজোৰামত দুই বছৰত বৃদ্ধি পাইছে ১৯, ২৯২ বঃকিঃ বনভূমি। প্ৰকাশ পোৱা প্ৰতিবেদন অনুসৰি দেশৰ মুঠ মাটিকালিৰ ২১.৭৬ শতাংশ হৈছে বনাঞ্চল। দেশৰ সৰ্বাধিক বনভূমি থকা ৰাজ্যখন হৈছে মধ্য প্ৰদেশ। ৰাজ্যখনৰ মুঠ বনভূমি হৈছে ৭৭, ০৭৩ বঃকিঃ। সৰ্বাধিক বনভূমি থকা দেশৰ দ্বিতীয় ৰাজ্যখন হৈছে ক্ৰমে অৰুণাচল প্ৰদেশ (৬৫, ৮৮২ বঃকিঃ)আৰু তৃতীয় ৰাজ্যখন হৈছে মহাৰাষ্ট্ৰ (৬৫, ৩৮৩ বঃকিঃ)। আনহাতে মুঠ মাটিকালিৰ আনুপাতিক হাৰত সৰ্বাধিক বনাঞ্চল থকা ৰাজ্যখন কেন্দ্ৰীয়শাসিত লাক্ষাদ্বীপ। ৰাজ্যখনৰ ৯১.৩৩ শতাংশই বনভূমি।

পৰচৰ্চাৰ আমেজ

আমেজত মত্ত ভদ্ৰতাৰ মুখা পিন্ধা সন্মানীয় পেচাত জড়িত বিভিন্নজনৰ চাল চলন, কথা বতৰাই, আমি পৰচৰ্চা, পৰনিন্দাৰ পৰা এশ যোজন দূৰৈত অৱস্থিতি লোৱা সকলক এবাৰ হ’লেও ভবাই নুতোলেনে বাৰু, যে একবিংশ শতিকাৰ উন্নতিৰ জখলাত দোপত দোপে আগুৱাই যোৱা সকলৰ মাজৰে সেই সকলো একো একোজন।

নেদেখাজনে ‘পৰচৰ্চাৰ আমেজ তথা টাইম মেনেজ’ কৰি আসুৰিক তৃপ্তি লভা সকলক সুমতি দিয়ক যাতে উপলব্ধি কৰিব পাৰে, তেওঁলোকৰ পৰচৰ্চা, পৰনিন্দাই একো একোখন ঘৰ তথা এখন সুস্থ সবল সমাজ তিল তিলকৈ ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে।

সেইবাবেই নেতিবাচক চৰ্চাৰ বিপৰীতে ইতিবাচক চৰ্চাৰে নিজৰ মানসিক উৎকৰ্ষ সাধনৰ অৰ্থে কৰণীয়খিনি কৰাৰ উপৰিও আনদহজনক সঠিক পথেৰে আগুৱাই নিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি এখন দেশৰ প্ৰকৃত নাগৰিক হিচাপে নিজৰ পৰিচয় দিব পৰাটোহে গুণীজনৰ আচল চিন।

ভূটানৰ ৰাষ্ট্ৰীয় দিৱসত

পূৰ্বপুৰুষসকলৰ মহান ত্যাগক স্মৰণ কৰাৰ লগতে দেশখনৰ শান্তি-সমৃদ্ধি, সুখ আৰু আনন্দৰ প্ৰতি দেশৰ নাগৰিকসকলৰ দায়ৱদ্ধতাক সুদৃঢ় কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে এই দিৱস পালন কৰি অহা হৈছে। আনহাতে, ৰাষ্ট্ৰীয় দিৱস উদযাপন কাৰ্যসূচীত অংশগ্ৰহণৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সহধৰ্মিণী ৰিণিকি ভূঞা শৰ্মাৰ সৈতে ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টগবেৰ বাসভৱনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। সেইদৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সহধৰ্মিণী ৰিণিকি ভূঞা শৰ্মাৰ সৈতে থিফুৰ কুয়েইনৰাই প্ৰেক্ষাগৃহত উপস্থিত হৈ ভগৱান গৌতম বুদ্ধৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি সশ্ৰদ্ধ প্ৰণিপাত নিবেদন কৰে।

বিশ্ববিখ্যাত তবলা

কৰিছিল। তেওঁ ৬৬সংখ্যক গ্ৰেমী বঁটাত প্ৰথম ভাৰতীয় সংগীত শিল্পী হিচাপে একেনিশাই তিনিটা গ্ৰেমী বঁটা লাভ কৰি ইতিহাস গঢ়ে। ভাৰত চৰকাৰৰ সংগীত নাটক একাডমী বঁটা, সংগীত নাটক ফেল’শ্বিপ আদি সন্মানেৰে বিভূষিত জাকিৰ হুছেইন। সংগীত জগতত অভাৱনীয় বৰঙণি আগবঢ়োৱাৰ বাবে মুম্বাই বিশ্ববিদ্যালয়ে সন্মানীয় এলএলডিৰে বিভূষিত কৰিছিল। জাকিৰ হুছেইনৰ বিয়োগত দেশৰ লগতে বিদেশৰ সাংস্কৃতিক মহলত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যু সংগীত বিশ্বৰ বাবে এক অপূৰণীয় ক্ষতি।

ENGLISH NEWS SECTION

Governor congratulates Sahitya Akademi awardees 2024

Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya, extended warm congratulations to Sameer Tanti, Deepak Kumar Sharma, and Aron Raja for winning the prestigious Sahitya Akademi Award 2024. The Governor praised the awardees, stating that their achievements have once again showcased the state's excellence in literature. He emphasized that the coveted awards are a testament to the state's rich literary talents, capable of dominating any platform.The Governor said that their endeavour made the people of Assam proud. He also said that the awards will definitely boost the morale of the upcoming poets and writers to contribute their best to the literary enrichment of the state. It may be mentioned that Sameer Tanti's poetry collection, "Forongbore Bator Kotha Jane" (in Assamese), Aron Raja's novel, "Swarani Thakhai" (in Bodo), and Dipak Sharma's poetry collection, "Bhaskaracaritam" (in Sanskrit), have been honored with the prestigious award, respectively.Shri Acharya also wished the awardees continued success in their future endeavors.

Ravichandran Ashwin retires from international cricket

RB News: Ravichandran Ashwin has announced his decision to retire from all formats of cricket with immediate effect following the draw in the third Test against Australia in Brisbane on Wednesday (December 18). The 38-year-old Ashwin made the announcement in the post-match press conference seated alongside captain Rohit Sharma. "This will be my last day as an Indian cricketer in all formats at the international level," Ashwin said at a press conference. Ravichandran Ashwin ended his Test career with 537 wickets in 106 Tests. Only Anil Kumble, with 619 wickets in 132 Tests, has more wickets for India in the longest format. Ashwin also played 116 ODIs and 65 T20s for India. He last played an ODI during the 2023 World Cup against Australia in his hometown Chennai. His last T20 match for the Indian cricket team was against England during the 2022 T20 World Cup semi-final in Adelaide. In ODIs, Ashwin picked 156 wickets while he scalped 72 batters in T20Is. He made his debut for India in an ODI match against Sri Lanka in Harare in 2010. In all, Ravichandran Ashwin played 287 matches for the Indian men’s cricket team and picked up 765 wickets, trailing only behind Anil Kumble’s 953 scalps. "I do feel there's a bit of punch left in me as a cricketer but I would like to express that and probably showcase that in club-level cricket, but this will be the last day. I had a lot of fun.” Ashwin added.

Afghanistan beat Zimbabwe to register their biggest ODI win

RB News: Afghanistan beat Zimbabwe by 232 runs and registered their biggest ODI win by runs on December 19 against Zimbabwe in Harare. Before this win, Afghanistan's biggest ODI win was by 177 runs, which came against South Africa in Sharjah in September 2024. Zimbabwe were bowled out for 54 chasing 287 to win.

Keshav Maharaj ruled out of SA's final two ODIs against Pakistan

RB News: Ahead of the second ODI of the three-match series against Pakistan, the CSA announced that Keshav Maharaj has been ruled out of the contest due to a left adductor strain. Furthermore, the left-arm off spin bowler won't be playing the final ODI of the series either, and he is scheduled to head home to rehabilitate from the injury.

Real Madrid clinch Intercontinental Cup title for the 4th time

FIFA INTERCONTINENTAL CUP QATAR 2024

RB News: Real Madrid defeated Mexican team Pachuca 3-0 in the Intercontinental Cup final on Wednesday. This was the club's fourth Intercontinental Cup title, with their previous wins coming in 1960, 1998 and 2002. The victory marked manager Carlo Ancelotti's 15th title with the club, surpassing the 14 trophies won by Miguel Munoz. Kylian Mbappe and Vinicius Jr scored for Real Madrid.

Hyderabad FC and Thangboi Singto mutually part ways

RB News: Hyderabad FC and head coach Thangboi Singto have mutually parted ways after nearly five years. Singto, who became head coach in July 2023 after serving as assistant coach and Technical Director (Youth) since 2020, led the team to historic achievements, including their first ISL win with an all-Indian squad. Assistant coach Shameel Chembakath will serve as interim coach.

নিজৰবোৰ ঢাকি ৰাখে, আনৰবোৰ খুচৰি ফুৰে



শৈলেন কুমাৰ, মিৰ্জা

আমি আধুনিক সমাজৰ মানুহ। বৰ্তমান আমাৰ দেহমন আধুনিকতাৰে ভৰা, আজি চৌদিশে চকু ফুৰালে প্ৰগতি, বিকাশ, উন্নয়নৰ জয়ধ্বনি। আমি বাহ্যিকতাৰ দিশত যিমানেই উন্নতি নকৰোঁ কিয়, কিন্তু আন্তৰিক দিশত আমি কিমান উন্নত সেয়া এক বৃহৎ প্ৰশ্ন? আমি বস্তুক মুল্য দিওঁতে, মানৱৰ পৰা দানৱত ৰূপান্তৰিত হৈছোঁ। আমাৰ কেৱল নিজস্ব স্বাৰ্থ সিদ্ধি হ'ব লাগে তাৰবাহিৰে কোনোবাই জীয়াই থাকে অথবা মৰিয়েই যাই তাত আমাৰ ভাবিব লগা নাই। পেটৰ ভোক আৰু মনৰ ভোক দুটা পৃথক বস্তু। খাদ্য গ্ৰহণ কৰিলে পেটৰ ভোক দূৰ কৰিব পাৰি কিন্তু মনৰ ভোক মানুহৰ তেজ শুহি খায়ো দূৰ কৰিব নোৱাৰি ।আমি আনৰ মুখমণ্ডলৰ কথা বৰ্ণনা কৰোঁ কিন্তু নিজৰ মুখমণ্ডলৰ কথা পাহৰি যাওঁ। আমি সভ্য সমাজৰ অসভ্য মানুহ অথচ আমি গৌৰৱ কৰোঁ আমি সভ্য বুলি। মিছা মান-অহংকাৰক লৈ গৌৰৱ কৰি আমি পৃথিৱীৰ য'ত কু-কীৰ্তি আছে সকলোতে লিপ্ত হওঁ আৰু এটাসময়ত এই জগতৰ পৰা অন্তৰ্ধান হওঁ। কথা সিহঁতৰ লাখটকীয়া কিন্তু যোগ্যতা শ্মশানৰ ছাঁই হোৱা। বৰ্হিজগতত ঘূৰি এটা জীৱন পাৰহৈ যায় কিন্তু নিজক চোৱাৰ আহৰি আমাৰ নাই। কুকুৰবোৰ দেউলীয়া হ'লে যেনেদৰে আনক কামুৰিবলৈ বিচাৰি ফুৰে ঠিকে তেনেকুৱা অৱস্থা আমাৰ হৈছে। নিজৰ লগত হোৱা অন্যায়ৰ পোতক আমি আনক অন্যায় কৰি লওঁ। যাৰবাৰে গংগাত স্নান কৰিলেও আমি মুক্তি নাপাওঁ।



মিছন বসুন্ধৰা ৩.০
মোৰ মাটি, মোৰ অধিকাৰ

অসম চৰকাৰ

JANASANYOG- 3509/24/22-Dec-24

সেৱা
পূৰ্বৰ ভূ-দান/ গ্ৰামদান ভূমিৰ বন্দৰস্তি

কিদৰে সুবিধা লাভ কৰিব?

sewasetu.assam.gov.in পৰ্টেলৰ জৰিয়তে লগ ইন কৰি পূৰ্বৰ আৱেদন নম্বৰ অন্তৰ্ভুক্ত কৰি আপুনি প্ৰয়োজনীয় শুধৰণিৰ পাছত পুনৰ বিবেচনাৰ বাবে আৱেদন কৰিব পাৰে

অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আৱেদন কৰিব পাৰে

আৱেদনৰ অন্তিম তাৰিখ ৩১ ডিচেম্বৰ, ২০২৪

মুখ্য বিশেষত্ব: পূৰ্বৰ অসম ৰাজ্যিক ভূ-দান গ্ৰামদান ব'ৰ্ডৰ অধীনত ভূমিসমূহ চৰকাৰী ভূমি হিচাপে নথিভুক্ত কৰাৰ পাছত যোগ্য লোকৰ পক্ষে বন্দৰস্তি

দাখিল কৰিবলগীয়া নথিসমূহ:
- অসম ৰাজ্যিক ভূ-দান গ্ৰামদান ব'ৰ্ড/গ্ৰামসভাৰ আবণ্টন পত্ৰ (যদি আবণ্টিত ভূমি হয়)
- দখলৰ প্ৰামাণিক নথি (যদি আবণ্টিত ভূমি হয়)
- পূৰ্বৰ অসম ৰাজ্যিক ভূ-দান/গ্ৰামদান ব'ৰ্ডৰ ভাড়া/মাচুল দিয়াৰ ৰচিদ (যদি উপলব্ধ)

Exclusive/2024-25/07

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286